# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Bāõhi | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৩/১ অষ্টম বছৰৰ

বিষয়

নমস্কাৰ
সম্পাদকৰ চৰা
বাঁহী
জাগৰণ
জীৱনৰ লক্ষ্য কি
সঙ্গীত-যামিনী
প্ৰত্নতাত্ত্বিক বৰবৰুৱাৰ গৱেষণা
মন্ত্ৰ
অসমীয়া জাতি
বৰবৰুৱাৰ প্ৰতি আশীৰ্বাদ
ন্যায়
অসমীয়া বৰ্ষচক্ৰী
ওডৰ্থান
প্ৰশ্ন চিঠি
বাঁহৰ বাঁহুলীৰ বিলাপ
বিবিধ টোকা
আটচৰা
ডাঙৰীয়া হৰিবিলাস আগৰৱালা
গদ্য-কবিতা
বিলাতৰ কথা
ৰামদাস বাবু আৰু কামিনীবাবু

# নমস্কাৰ ।

"নমো হৰিপদ পঙ্কজ যুগল
বিমল সুখ-সাগৰ।
অনাদি অনন্ত নন্ত সদাশিব
ভগৱন্ত ভয়হৰ।—"ঘোষা।

পৰমেশ্বৰৰ চৰণত কোটী কোটী নমস্কাৰ কৰি আজি আমি আকৌ বাঁহীৰ অষ্টম বছৰৰ কাৰ্য্য আৰম্ভ কৰিলোঁ।

সম্পাদক।

---

# সম্পাদকৰ চ'ৰা।

## কৃষ্ণ-কথা।

ভাৰতবৰ্ষৰ আৰ্য্য ঋষিসকলে গভীৰ চিন্তা আৰু আলোচনা কৰি ব্ৰহ্ম অৰ্থাৎ পৰমেশ্বৰ বিষয় বিবিলাক তত্ত্ব উদ্ঘাটিত কৰি বৰ্ণনা কৰিছে, সেই বোৰ ওপৰে ওপৰে চোৱা মানুহৰ চকুত এনে Contradictory পৰস্পৰ-বিৰোধী হৈ পৰে, যে সাধাৰণতঃ তেওঁলোকৰ মনত সেইবোৰ অসংলগ্ন যেন দেখায়; আৰু সেই নিমিত্তেই আজিকালিৰ অনেক শিক্ষাভিমানী ভাৰতীয় লোক অজ্ঞেয়বাদী ( agnostic ) হৈ পৰে আৰু ঈশ্বৰ বিষয়ে তেওঁলোকে মূৰ নঘমায়, বা তেওঁলোকৰ মতে কাইটনি

হাবিত নোসোমাই, সাধাৰণভাৱে উজু জীৱন (easy life) কটাই বা গতানুগতভাৱে চলি সংসাৰযাত্ৰা নিৰ্ব্বাহ কৰি ভৱলীলা সাঙ্গ কৰে। কিন্তু আৰ্য্য ঋষিসকলৰ বাক্য আৰু শিক্ষা গভীৰ ভাৱে চিন্তা কৰোতাৰ পক্ষে সেইবোৰ অত্যন্ত উপাদেয় আৰু সত্য। পৰমেশ্বৰ বা ব্ৰহ্মৰ দুটা aspects অৰ্থাৎ বিভাব উপনিষদৰ ঋষিসকলৰ মানস-পটত প্ৰতিভাত হৈছিল। দুইটা সত্যস্বৰূপ পৰব্ৰহ্মৰ সত্য aspect বিভাৱ। সৰ্ব্বসাধাৰণে সূক্ষ্ম দৃষ্টিৰে সেই দুটা aspect বিভাব হৃদয়ঙ্গম কৰিব নোৱাৰি গোলমালত পৰে। আৰ্য্য ঋষিসকলে ব্ৰহ্মক দুইভাৱে দেখিছিল,— এটি নিৰ্ব্বিশেষ ভাব, আনটি সবিশেষ ভাব। নিৰ্ব্বিশেষ ভাৱৰ ব্ৰহ্ম নিৰ্গুণ, সবিশেষ ভাৱৰ ব্ৰহ্ম সগুণ। নিৰ্ব্বিশেষ ব্ৰহ্মক নিৰ্গুণ,নিৰুপাধি,নিৰ্ব্বিকল্প ইত্যাদি সংজ্ঞা দিয়া হয়। "সপৰ্য্যগাৎ শুক্ৰমকায়মব্ৰণমস্নাবিৰং শুদ্ধমপাপবিদ্ধম"—অৰ্থাৎ তেঁও সৰ্ব্বব্যাপী, নিৰ্ম্মল, নিৰবয়ব, শিৰ আৰু ব্ৰণৰহিত, শুদ্ধ, অপাপবিদ্ধ। "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ"—অৰ্থাৎ মনেৰে সৈতে বাক্যই থাক নাপাই উলটি আছে। "স এষ নেতি নেতি আত্মা"—অৰ্থাৎ যাৰ পৰিচয় এই মাথোন যে তেঁও এনে নহয়, তেনে নহয়, তেওঁৰ আৰু একো নাই। অস্থূলমনণ্বহ্ৰস্বদীৰ্ঘমলোহিতমস্নেহমচ্ছায়মতমোহবায়্বনাকাশমসঙ্গমৰসমগন্ধমচক্ষুষ্কমশ্ৰোত্ৰমবাগমনোহতেজস্কম প্ৰাণমুখমমাত্ৰম।"—অৰ্থাৎ তেওঁ স্থূল নহয়, অণু নহয়, হ্ৰস্ব নহয়, দীৰ্ঘ নহয়, তেওঁ অলোহিত অৰ্থাৎ তেওঁৰ কোনো বৰণ নাই, তেওঁ কোনো পনীয়া বস্তু নহয়, বায়ৱীয় পদাৰ্থও নহয়, ৰসও নহয়, গন্ধও নহয়, তেওঁ অচ্ছায়, অতম, অনাকাশ, অসঙ্গ, অচক্ষু, অকৰ্ণ, অবাক্, মনোবিহীন, কাৰো সৈতে তেওঁৰ উপমা নহয়।

এইবোৰ নিৰ্গুণ ব্ৰহ্মক বুজাবো কথা। ইয়াৰ মৰ্ম্ম এই যে আমি যি বস্তুৰেই নাম কৰোঁ, যি বস্তুৰেই ধাৰণা কৰো, ব্ৰহ্ম সেই বস্তু নহয়; চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, তৰা, মানুহ, দেৱতা, অগ্নি, বায়ু, আকাশ ইত্যাদি কোনো বস্তুৰেই ব্ৰহ্ম নহয়। অৰ্থাৎ ব্ৰহ্ম সকলো জ্ঞাত আৰু বাক্ত বস্তুতকৈ সুকীয়া, বাক্য মনৰ অগোচৰ অজ্ঞেয় কিবা এটা। এইবাৱেই ব্ৰহ্মক নিৰঞ্জন বোলে, অৰ্থাৎ তেওঁ অঞ্জন ( চিহ্ন ) বিহীন। আৰ্য্য ঋষিসকলে ব্ৰহ্মক যেনেকৈ নিৰ্গুণ নিৰঞ্জন বুলি ধাৰণা কৰিছে, সেই দৰে সেই মুহূৰ্ত্ততে ব্ৰহ্মক সগুণ বুলিও ধাৰণা কৰি তেওঁক চিহ্নিত কৰিছে। "কৱিৰ্মনীষী পৰিভূঃ স্বয়ম্ভূঃ যাথাতথ্য তোহৰ্থান্ ব্যদধাৎ শাশ্বতীভ্যঃ সমাভ্যঃ"— অৰ্থাৎ "তেওঁ সৰ্ব্বদৰ্শী, মনৰ নিয়ন্তা, সকলোতকৈ শ্ৰেষ্ঠ আৰু স্বপ্ৰকাশ;



তেওঁ সৰ্ব্বতিকাল প্ৰজাসকলক যথোপযুক্ত অৰ্থসকল বিধান কৰি আছে। "এতস্মাজ্জায়তে প্ৰাণোমনঃ সৰ্ব্বেন্দ্ৰিয়াণি চ। খং বায়ুৰ্জ্যোতি ৰাপঃ পৃথিবী বিশস্য ধাৰিণী। ভয়াদস্যাগ্নি স্তপতি ভয়াত্তপতি সূৰ্য্যঃ। ভয়াদিন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুৰ্ধাৱতি পঞ্চমঃ॥" অৰ্থাৎ এওঁৰপৰা প্ৰাণ মন আৰু সমুদায় ইন্দ্ৰিয়, আকাশ, বায়ু, জ্যোতি, জল আৰু সকলোৰে আধাৰ এই পৃথিবী উৎপন্ন হৈছে। এওঁৰ ভয়ত অগ্নি প্ৰজ্বলিত হৈছে, সূৰ্য্যই উত্তাপ দিছে, মেঘে বৰষুণ দিছে, বতাহ বলিছে, মৃত্যু সঞ্চৰণ কৰিছে।

এইবোৰ সগুণ ব্ৰহ্মৰ লক্ষণ। বাস্তবিকতে সগুণ আৰু নিৰ্গুণ ব্ৰহ্ম দুজন সুকীয়া নহয়; এক ব্ৰহ্ম "একমেবাদ্বিতীয়ং" ব্ৰহ্মৰে এই দুটা আমাৰ ভাবৰ প্ৰভেদ মাথোন। সগুণ আৰু নিৰ্গুণ ব্ৰহ্ম বাস্তবিকতে একে বস্তুৱেই। কাৰণ নিৰ্ব্বিশেষ পৰব্ৰহ্মৰেই মায়া উপাধি অঙ্গীকাৰ কৰি সবিশেষ বা সগুণ হয়। ব্ৰহ্ম সগুণ হলেই তেওঁক মহেশ্বৰ বোলে। "শ্বেতাশ্বতৰ উপনিষদত কৈছে—"মায়িনং তু মহেশ্বৰম"। "সগুণো নিৰ্গুণো বিষ্ণুঃ" অৰ্থাৎ বিষ্ণু ( ব্ৰহ্ম ) সগুণো, নিৰ্গুণো। শ্ৰীমদ্ভাগৱতত লেখিছে—

"লীলয়াবাপি যুঞ্জেৰন নিৰ্গুণস্য গুণাঃ ক্ৰিয়াঃ" অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মই লীলাবশত গুণ আৰু ক্ৰিয়াযুক্ত হয়।

"বদন্তি তৎ তত্ত্ববিদস্তত্ত্বং যদ্ জ্ঞানমদ্বয়ং।
ব্ৰহ্মেতি পৰমাত্মেতি ভগৱান্ ইতি শব্দ্যতে॥" শ্ৰীমদ্ভাগৱত।

অৰ্থাৎ সেই অদ্বিতীয় চিৎ বস্তুক তত্ত্বজ্ঞানীসকলে তত্ত্ব আখ্যা প্ৰদান কৰে। তেৱেঁই ব্ৰহ্ম, তেৱেঁই পৰমাত্মা, তেৱেঁই ভগৱান ( ষড়ৈশ্বৰ্য্যশালী সগুণ ব্ৰহ্ম বা মহেশ্বৰ )

ব্ৰহ্মক অকল নিৰ্গুণ বুলি ধাৰণা কৰিলেও ঠিক নহয়, অকল সগুণ বুলি ধাৰণা কৰিলেও ঠিক নহয়; কাৰণ তেওঁ নিৰ্গুণ সগুণ দুইটা। নিৰ্গুণ ব্ৰহ্মক সগুণো নুবুলি তেওঁৰ স্বৰূপত সীমা দিলে তেওঁৰ অনন্তত্ব গুচে, সগুণক নিৰ্গুণেৰে সৈতে যোগ নিদিলেও তেওঁ খৰ্ব্ব হয়। শঙ্কৰাচাৰ্য্যই ব্ৰহ্মৰ অকল নিৰ্গুণ আৰু ৰামানুজাচাৰ্য্যই ব্ৰহ্মক অকল সগুণ বুলি ধৰি ভুলত পৰিছে। কিন্তু যি শ্ৰুতি বা বেদ দুইৰো অৱলম্বন সেই শ্ৰুতিয়েই একে উশাহতে ব্ৰহ্মৰ সগুণ নিৰ্গুণ এই দুইটা বিভাব স্পষ্টাক্ষৰে উক্তি কৰিছে। শ্বেতাশ্বতৰ উপনিষদত লেখিছে—

"উদ্গীতমেতৎ পৰমং তু ব্ৰহ্ম।
তস্মিন ত্ৰয়ং সুপ্ৰতিষ্ঠাক্ষৰঞ্চ।"

অৰ্থাৎ এই যে পৰব্ৰহ্ম, এওঁ অক্ষৰ; এওঁত তিনটি সুপ্ৰতিষ্ঠিত আছে, এনে উদ্গীত হৈছে। অৰ্থাৎ ব্ৰহ্মত ভোক্তা, ভোজ্য, আৰু প্ৰেৰিতা (নিয়ন্তা) এই তিনটি প্ৰতিষ্ঠিত আছে; আৰু তেওঁ অক্ষৰ। যদিও তেওঁ সবিকাৰ প্ৰপঞ্চৰ আশ্ৰয়; তথাপি তেওঁ বিকাৰী নহয়, তেওঁ অবিনাশী।

"ভোক্তা ভোগ্যং প্ৰেৰিতাৰঞ্চ মত্বা।
সৰ্ব্বং প্ৰোক্তং ত্ৰিবিধং ব্ৰহ্মমেতৎ॥"—শ্বেতাশ্বতৰ।

অৰ্থাৎ পুৰুষ, প্ৰকৃতি আৰু পৰমেশ্বৰ ব্ৰহ্মৰ এই তিনটা ভাব। ব্ৰহ্মৰ যি ভাব লক্ষণৰ, চিহ্নৰ, বিশেষণৰ অতীত তাকেই নিৰ্গুণ ব্ৰহ্ম বা পৰব্ৰহ্ম বোলে। এই নিৰ্ব্বিশেষ, নিৰ্ব্বিকল্প নিৰুপাধি নিৰ্গুণ পৰব্ৰহ্মই যেতিয়া মায়া উপাধি অঙ্গীকাৰ কৰে, অৰ্থাৎ যেতিয়া তেওঁ মায়াৰে নিজক সঙ্কুচিত কৰে, তেতিয়া তেওঁ সবিশেষ সবিকল্প সোপাধি হয়। অৰ্থাৎ যেতিয়া সীমাহীন চিদাকাশত চিন্মাত্ৰৰ উদয় হৈ অখণ্ড মণ্ডল বৃত্তাকাৰ হৈ, তাৰ মাজত কেন্দ্ৰৰ (centre) প্ৰকাশ হয় তেতিয়া ব্ৰহ্মক অপৰ-ব্ৰহ্ম বা মহেশ্বৰ বোলে। যেনেকৈ মকৰাই জাল ৰচনা কৰি নিজক আবৃত কৰে, সেই দৰে স্বভাৱতে অদ্বিতীয় পৰব্ৰহ্মই নিজৰ মায়াজালেৰে নিজক আবৃত কৰে। কিন্তু বাস্তৱিকতে পৰব্ৰহ্মৰ কোনো হ্ৰাস বৃদ্ধি নহয়, তেওঁক ধাৰণা কৰা বা তেওঁক সেই দৰে দেখোতা জীৱৰ চকুত হে তেওঁ তেনেকৈ প্ৰতিভাত হয়। চকুৰে চাব নোৱাৰা তেজোময় সূৰ্য্যক যেনেকৈ এডোখৰ ছাঁই-মলা কাচৰ ভিতৰেদি তেওঁৰ তেজ কিছুদূৰ সঙ্কুচিত কৰি আনি চাব পাৰি, কিন্তু বাস্তৱিকতে সূৰ্য্যৰ কোনো সঙ্কোচ, বৃদ্ধি নাই, পৰব্ৰহ্মও তেনেকুৱা; আমাৰ ধাৰণাৰ নিমিত্তে, জগৎ সৃষ্টিৰ নিমিত্তে তেওঁ সগুণ হব লগীয়াত পৰে। একেখন সমুদ্ৰই কেতিয়াবা প্ৰশান্ত আৰু কেতিয়াবা তৰঙ্গায়িত বিক্ষুব্ধ। একেজন অদ্বিতীয় ব্ৰহ্মই কেতিয়াবা সগুণ, কেতিয়াবা নিৰ্গুণ। আমাৰ মহাপুৰুষ মাধৱদেৱে কেনে সুন্দৰকৈ শ্ৰুতি, সাংখ্য, বেদান্ত, গীতা আৰু ভাগৱতৰ সাৰ সিদ্ধান্ত, তলত দিয়া গীতটিৰ শাৰীকেইটিত নিবন্ধ কৰি থৈছে—

"নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সেহি জন্মে জীৱৰ জনম দূৰ কৰা॥



সহজে অকৰ্ম্মী কৰ্ম্ম কৰা অপৰ্য্যন্ত।
সেহি কৰ্ম্মে জীৱৰ কৰ্ম্মৰ কৰা অন্ত॥
তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই।
নিৰ্গুণ হোৱায় জীৱ সেহি গুণ গাই॥
কহয় মাধৱ মোৰ ওহি আশা মনে।
সহজ পীৰিতি মাগোঁ তোমাৰ চৰণে॥"

ব্ৰহ্মৰ নিৰ্গুণ সগুণ এই দুটাট ভাব ধাৰণা কৰিলেহে ব্ৰহ্মধ্যান সম্পূৰ্ণ হয়। দুই-টাই ব্ৰহ্মৰ ই-পিঠি, সি-পিঠি। নিৰ্ব্বিশেষ ভাবৰ ব্ৰহ্মক পৰব্ৰহ্ম আৰু সবিশেষ ভাবৰ ব্ৰহ্মক অপৰ ব্ৰহ্ম বা শব্দব্ৰহ্ম (Logos) বোলা হয়। বৃহদাৰণ্যক উপনিষদত কৈছে "দ্বে বাব ব্ৰহ্মণোৰূপে মূৰ্ত্তং চৈবামূৰ্ত্তং চ, মৰ্ত্ত্যঞ্চামৃতঞ্চ, স্থিতং চ যৎ চ, সৎচ ত্যৎচ।" অৰ্থাৎ ব্ৰহ্মৰ দুই বিভাৱ—মূৰ্ত্ত আৰু অমূৰ্ত্ত, মৰ্ত্ত্য আৰু অমৃত, স্থিৰ আৰু অস্থিৰ, সৎ আৰু ত্যৎ। তেওঁ Formed and formless, abiding and fleeting mortal and immortal, the Being and the Beyond. উপনিষদত সেই দেখি কৈছে "এতদ্ বৈ সত্যকাম! পৰঞ্চ অপৰঞ্চ ব্ৰহ্ম"। অৰ্থাৎ "হে সত্যকাম! এই ব্ৰহ্ম পৰ আৰু অপৰ।" গীতা ভাগৱতে এই দুই বিভাৱৰ একমেবাদ্বিতীয়ং ব্ৰহ্মকেহে প্ৰকাশ কৰিছে; আৰু এই সগুণ নিৰ্গুণ ব্ৰহ্মকেহে আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱে প্ৰচাৰ কৰিছে। ঘোষাৰ প্ৰথমতে লেখিছে—

"একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ গাৱে সদা বসিয়া যথাত।"

কীৰ্ত্তনৰ প্ৰথমতে আছে—

"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥"

নিৰ্গুণ কৃষ্ণৰ গুণ, বিৰোধী কথা। কিন্তু আমাৰ ordinary সাধাৰণ Logic মতেহে, যি logic-অৰ ধাৰণা বুদ্ধি আৰু তৰ্ক ব্ৰহ্মতত্ত্ব আলোচনাত হাৰি উভতি আহে; ব্ৰহ্মতত্ত্ব transandental logic-অৰহে বস্তু। সেইদেখি তৈত্তিৰীয় উপনিষদে কয় "সৰ্ব্বকাৰ্য্য বিলক্ষণে ব্ৰহ্মণি" অৰ্থাৎ "সকলো কাৰ্য্য আৰু ধৰ্ম্মৰ বিপৰীত লক্ষণ ব্ৰহ্ম।" তেওঁত সকলো দ্বন্দ্বৰ চিৰসমন্বয়। Supreme unity of all contradictions. ক্ৰমশঃ—

"তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন॥"—শঙ্কৰদেৱ।

"কৃষ্ণ এক দেৱ দুখহাৰী, কালমায়াদিৰো অধিকাৰী"—মাধৱদেৱ। দেশকাল আৰু নিমিত্ত যেতিয়া তেওঁৰ ভিতৰতে আছে, তেতিয়া আৰু দ্বৈতই বা কি অদ্বৈতই বা কি? তেওঁ "অণোৰণীয়ান্ মহতোমহীয়ান" তেওঁ চল অচল, দূৰত অথচ ওচৰত, সকলোৰে অন্তৰত, অথচ বাহিৰত, নিৰাকাৰ অথচ সাকাৰ, অমূৰ্ত্ত অথচ জগন্মূৰ্ত্তি, অসীম অথচ সসীম, অকৰ্ত্তা অথচ কৰ্ত্তা। তেওঁ "নিষ্কলং নিষ্ক্ৰিয়ং শান্তং নিৰবদ্যং নিৰঞ্জনম" অথচ "যতো বা ইমানি ভূতানি জায়ন্তে যেন জাতানি জীৱন্তি যৎ-প্ৰয়ন্ত্যভি সংবিশন্তি তদ্বিজিজ্ঞাসস্ব তদ্ব্ৰহ্ম।" অৰ্থাৎ যাৰপৰা ভূতসকল উৎপন্ন হৈছে, যাৰ আশ্ৰয়ত জীয়াই আছে, যাত অনুপ্ৰবিষ্ট হৈছে, তাক জানিবৰ ইচ্ছা কৰা, তেৱেঁই ব্ৰহ্ম। এইযাৰ উপনিষদৰ কথা; আৰু "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ" অৰ্থাৎ বাক্য আৰু মন যাৰ ওচৰ পাবগৈ নোৱাৰি উলটি আহে, অৰ্থাৎ যিজন অজ্ঞেয়" এইযাৰো উপনিষদৰে কথা। এই দুইষাৰ যে ধ্ৰুৱসত্য এইটোও ধ্ৰুৱসত্য। এনে বেদবিহিত, উপনিষদবিহিত ব্ৰহ্ম বা ঈশ্বৰ বা মহেশ্বৰ কৃষ্ণৰে গুণ আমাৰ শ্ৰীমন্তশঙ্কৰে প্ৰকাশ কৰিলে। তেওঁৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱে সেই দেখিয়েই ঘোষাত সুন্দৰকৈ কৈছে—

"নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।"

এতেকে আহা ভাই! বেদ উপনিষদ গীতা ভাগৱত আদি সৰ্ব্বশাস্ত্ৰৰ সাৰ মহাধৰ্ম্ম যাক প্ৰচাৰ কৰিবৰ নিমিত্তে শ্ৰীশঙ্কৰদেৱে তেওঁৰ এশ-উনৈশ বছৰ ব্যাপী দীৰ্ঘ জীৱন অসমবাসীৰ নিমিত্তে উৎসৰ্গ কৰিলে, সেই ধৰ্ম্মক অৱহেলা নকৰি, তাৰ গভীৰ মৰ্ম্মত প্ৰবেশ কৰি কৃতকৃত্য হৈ মানৱী জনম সাফল কৰোঁহক।

---



## বাঁহী।

বাজা বাজা আজি পঞ্চম সুৰত
ললিত মোহন বাঁহী!
পুৰণি সুৰেৰে এবাৰ বাজাচোঁ
নিয়া মোৰ প্ৰাণ মোহি।

যি সুৰেৰে বাঁহী বৃন্দাবনত
মোহিলা গোপীৰ মন,
যি সুৰত মুগ্ধ পশু পখী তৃণ,
যমুনা বলে উজান।

তোমাৰ সুৰত জগত মোহিত
হইছিল সিকালত;
মোহিনী সুৰৰ প্ৰতিধ্বনি তান
উঠিছিল মলয়াত।

গোপিনীমোহনে তোমাৰ সুৰেৰে
প্ৰেম ঢালি বৃন্দাবনে,
প্ৰেম লীলা খেলা, ভকতি অচলা
প্ৰচাৰ কৰিলে গানে,

সেইটি সুৰেৰে আজিও বাজাচোঁ
মোহাহি আমাৰ প্ৰাণ,
হিমাদ্ৰি-শিখৰে মানসৰোবৰে
যক প্ৰতিধ্বনি তান॥

শ্ৰীউপেন্দ্ৰনাথ বৰুৱা।

---

# জাগৰণ।

১

বনৰ চৰায়ে গায়
অসমৰ বননিত,
শুনা তুমি অসমীয়া,
আহা কেনে সুললিত;
একে সুৰে সকলোৱে
ধৰে একতাৰ তান—
"উঠা উঠা অসমৰ
হিন্দু মুচলমান"।

২

ব্ৰহ্মপুত্ৰ নদ বয়
অসম দুফাল কৰি,
মাজে মাজে বই যায়
কি করুণ সুৰ ধৰি;
যদিও নিমাত দেখা,
তেও তাত আছে গান—
—"উঠা উঠা অসমৰ
হিন্দু মুচলমান"।

৩

বাৰিষাৰ আৰম্ভতে
মেঘেও গাজেহি আহি,
লগে লগে বিজুলীয়ে
উলাহতে হাহি হাহি;
ডাৱি হাহি মিহলাই
গায় কাণ-ফটা গান—
—"উঠা উঠা অসমৰ
হিন্দু মুচলমান"।



৪

আমাৰেই পুব ফালে
ৰাতিৰ আন্ধাৰ ঠেলি,
আপোনাৰ কামলই
ওলায় পুৱাৰ বেলি;
আনি পাকোঁ শুই কিন্তু
সকলোৱে গায় গান—
—"উঠা উঠা অসমৰ
হিন্দু মুচলমান"।

৫

যেতিয়া পুৰ্ণিমা হয়
আকাশৰ জোনটীয়ে
গোটেই ৰাতিটো কেনে
আমাক পোহৰ দিয়ে;
পুৱাৰ বেলিকা কয়
"হওঁ মই অৱসান,
উঠা উঠা অসমৰ
হিন্দু মুচলমান"।

৬

গছ লতা বননিয়ে
মলয় বতাহ পালে
ইফাল সিফাল কৰি
উলাহতে হালে-জালে;
লাজুকী ভাবেৰে গায়
আপোন মনতে গান—
—"উঠা উঠা অসমৰ
হিন্দু মুচলমান"।

৭

পকৰা-পিপৰা আৰু
পোককেই আদি কৰি,
চাই যোৱাঁ একালেদি
সেই একে সুৰ ধৰি;
একে তাল একে মান
একে ভাব একে গান—
—"উঠা উঠা অসমৰ
হিন্দু মুচলমান"।

এম, মোছলেহ উদ্দিন আহমদ।

---

# জীৱনৰ লক্ষ্য বস্তু।

জীৱনৰ লক্ষ্য বস্তু কি? জগতৰ শ্ৰেষ্ঠ সৃষ্টি মানুহ জাতিয়ে নো কাক কেন্দ্ৰ কৰি সংসাৰ চক্ৰৰ্ত ঘূৰিব লাগে? কাক নো জীৱনৰ ধ্ৰুৱতৰা কৰি কি বস্তুক লক্ষ্য কৰি অপাৰ সংসাৰ-সমুদ্ৰত জীৱন-নাও এৰি দিয়ে? অনেকে হয়তো কব যে সুখেই জীৱনৰ লক্ষ্য। কিন্তু সুখ কি? সুখ আমি কাক বোলোঁ? নানা মুনিৰ নানা মতৰ দৰে। কোনোৱে হয়তো কব যে ধনতেই সুখ। কোনোৱে কয় মানত। কাৰো মতে জ্ঞানত। আকৌ কোনো কোনো জনে কয় যোগে বজাৰ সমান সুখীয়া নাই। কিন্তু দ'কৈ গমি চালে বুজিব পাৰি যে পৃথিৱীত নিৰবচ্ছিন্ন সুখ কতো নাই আৰু তেনে সুখতো প্ৰকৃত সুখ নাই। কিয়নো সদায় যি অমৃত ভোজন কৰে সেই সেই অমৃততো অৰুচি জন্মি বিষৰ নিচিনা হয়। দূৰদৰ্শী পৰম কৰুণাময় পৰমেশ্বৰে জীৱজগতৰ নিমিত্তে সকলো লগতিয়াল বস্তুকেহে চৰ্জন কৰিছে। বালি-চাহীৰপৰা গজ-হস্তীলৈকে আৰু যাক আমি অতি তুচ্ছ বুলি ভাবোঁ এনে এটি ধূলি কণালৈকে ঈশ্বৰে আৱশ্যক বুলিহে সৃজিছে। ঈশ্বৰৰ মঙ্গল হাতেৰে সজা কোনো বস্তুৱেই অমঙ্গলৰ কাৰণ আৰু উদ্দেশ্যবিহীন নহয়। জীৱ-জগতে যাক সদায় ভয় আৰু ঘিণ কৰি, যাৰপৰা সদায় আঁতৰি থাকিবলৈ বিচাৰে এনে দুখ, কষ্ট, বিপদ,



বিপদকে ঈশ্বৰে লাগতিয়াল বুলিহে চৰ্জন কৰিছে। এইবোৰ আমাৰ চকুত দেখাত অমঙ্গলীয়া হলেও ই ঈশ্বৰৰ মঙ্গল উদ্দেশ্যৰ হে আহিলা-পাতি। আমি মানুহ জাতিয়ে সদায় বৰ্ত্তমান লৈয়েই ব্যস্ত, দূৰ ভবিষ্যতৰ ফালে একেবাৰেই অন্ধলা। কিন্তু দূৰদৰ্শী ঈশ্বৰৰ চকুত বৰ্ত্তমান যেনে ভবিষ্যতো তেনে ফট্ফটীয়া। মঙ্গলময় ঈশ্বৰৰ সকলো কামতে মঙ্গলৰ ছাঁ আছেই আছে, ভ্ৰমান্ধ মানুহে হে ঈশ্বৰৰ মঙ্গলৰ উদ্দেশ্য বুজিব নোৱাৰে। এই জনমেই আমাৰ জীৱনৰ শেহ নহয়, জীৱন অনন্ত। এই অনন্ত জীৱনৰ মঙ্গলৰ নিমিত্তেই হয়তো ঈশ্বৰে জীৱক বাৰে বাৰে জনম, মৰণ, ৰোগ, শোক, দুখ, সম্পদ, বিপদ ইত্যাদি ভোগ কৰাই জীৱৰ উন্নতি আৰু অভিজ্ঞতা বঢ়াবলৈকে এইবোৰক সৃজন কৰিছে; যেনেকৈ সোণক যিমান জুইত পোৰে সিমান তাৰ জেউতি বাঢ়ে। দুখ আছে দেখিহে সুখ ইমান মধুৰ। আঁউসী নোহোৱা হলে পূৰ্ণিমাই ইমান মধুৰতা দিব নোৱাৰিলেহেঁতেন। বিৰহ নথকা হলে মিলন কেতিয়াও মধুময় নহলহেঁতেন। নিৰবিচ্ছিন্ন সুখকো তেনে প্ৰকৃত সুখ বুলিব নোৱাৰি, দুখৰ পাছত সুখ হে মধুৰ আৰু প্ৰীতিপ্ৰদ।

ভালকৈ ভাবি চালে মানুহৰ কোনো পৰিবৰ্ত্তনশীল বস্তুৱেই জীৱনৰ লক্ষ্য হোৱা উচিত নহয়। অৱশ্যে শিক্ষা, বুদ্ধি, জ্ঞান, ধন, মান, যশ, ঐশ্বৰ্য্য, সম্পদ এই-বোৰ জীৱনৰ লাগতিয়াল বস্তু, সেই বুলি এইবোৰ দুদিনীয়া বস্তু জীৱনৰ লক্ষ্য কেনেকৈ হব পাৰে। জীৱনযাত্ৰা সুকলমে নিৰ্ব্বাহ কৰিবলৈ জীৱনৰ এইবিলাক যাই আহিলা-পাতি গোটাই লোৱা মানুহ-জীৱনৰ প্ৰথম আৰু যাই কাম। মানুহে কথাতে কয় বোলে "আশ্ৰয় ললে বৰ গছৰ আশ্ৰয় লব লাগে।" তেনেহলে যি বস্তু দুদিনীয়া, যি সদায় চঞ্চল, যাৰ একো স্থিৰতা নাই, যি নিজকেই ঘূৰণীয়া কৰি অমৰকৈ ৰাখিব নোৱাৰে, সি আনক কেনেকৈ ৰাখিব? এনে, স্থলত অনিত্য জগতৰ পাৰ্থিব কোনো বস্তুকেই জীৱনৰ লক্ষ্য কৰিব নোৱাৰি। তেনেহলে আদি অন্তহীন অৰুপ আৰু অনন্ত ঈশ্বৰকেই হে মানুহে জীৱনৰ লক্ষ্য কৰা উচিত। মানুহে কি সকলো বিদৰ দেহীয়েই, দেহীয়ে জনাকৈ বা নজনাকৈ সেই এটি মাৰ্থে লক্ষ্য কৰি অনন্তৰ ফালে সদাই লৰিব লাগিছে। জীৱ মাত্ৰেই সুখান্বেষী, সুখ সুখকৈ সদাই ব্যস্ত, কিন্তু যথাৰ্থ সুখ কি মোহান্ধ জীৱই তাক বুজিব নোৱাৰে; অথচ সুখ বিচাৰি হাবাথুৰি খাই ফুৰিছে। সুখ বিচাৰি কত ভাল বেয়া কাম কৰি অদৃষ্ট গ্ৰজন কৰিছে, আৰু সেই অদৃষ্ট বা প্ৰাক্তনৰ ফল ভোগ কৰিবলৈ মৰি মৰি কত

শত জন্ম ধৰিব লগাত পৰিছে, কিন্তু জীৱাত্মাৰ প্ৰধান লক্ষ্য সেই অনন্তক লাভ কৰা আৰু সেইয়ে জীৱৰ যথাৰ্থ সুখ। যেনেকৈ সৰু বৰ সকলো নৈ, শত সহস্ৰ বাধা বিঘিনি অতিক্ৰমি একেটা উদ্দেশ্য এটি মাথো লক্ষ্য থিৰ কৰি নানা বাটে কত নগৰ কত পৰ্ব্বত কত দেশ ভাঙি-ছিঙি সাগৰৰ ফালে লৰি গৈছে আৰু সাগৰক পালেই থিৰ হৈ অপাৰ শান্তি লাভ কৰি থাকে, তেনেকৈ যত জীৱ ৰাশিৱেও ভ্ৰমান্ধ হৈ সুখ বুলি দুখৰ বোজা মূৰত তুলি লৈছে আৰু পৃথিবীৰ যাৱতীয় পাৰ্থিব সুখ দুখ সকলো ভোগ কৰি শেহত শান্তি নাপাই এইটো নহয় বুলি সকলো ত্যাগ কৰি প্ৰকৃত সুখ লাভ কৰিবলৈ সমৰ্থ হয় গৈ আৰু সেই অনন্ত সুখত সুখী হৈ অনন্ত শান্তি লাভ কৰে। বাট হেৰুৱা বাটৰুৱাই যেনেকৈ ধ্ৰুৱ-তৰাটোকে লক্ষ্য কৰি বাট লয় আৰু ধ্ৰুৱতৰায়ো বিপন্ন বাটৰুৱাক বাট দেখুৱাই নিজ গন্তব্য ঠাই লৈ লৈ যায়, তেনেকৈ মানুহ জাতিয়েও ঈশ্বৰক লক্ষ্য কৰি অপাৰ সংসাৰ সমুদ্ৰত জীৱন-নাও এৰি দিলে ঈশ্বৰে জীৱনৰ বাট দেখুৱাই আন্ধাৰ বাট মুকলি কৰি সকলো জীৱৰাশিৰ এটি মাথো গন্তব্য পথ, সেই অনন্ত প্ৰেমসিন্ধু অনন্ত ঈশ্বৰৰ ফালে শত বাধা বিঘিনি আঁতৰাই লৈ যাব ইয়াত অলপো সংশয় নাই।

কৃষ্ণ।

---

# সঙ্গীত-থাপনা।

যোৱাগই যোৱাগই মেলি নাওখনি
নাৱৰীয়া, মোৰা ভটীয়াই,
ক'বাগই ক'বাগই—, নাহিবা উভতি,
নধৰিবা মোক পুনৰায়।
ইয়াতে পাতিম মোৰ পৱিত্ৰ মন্দিৰ
হব মোৰ এয়ে মাথোঁ ঘৰ,
ইয়াতে পাতিম মোৰ সঙ্গীত-থাপনা
সঙ্গহীন সুৰ বিলাবৰ।



বাৰিষা যেতিয়া আহে গুজৰি-গুমৰি
উৰে মেঘ আকাশ বুকুত,
বেলিটি ডাৱৰে ঢাকি নামেহি আন্ধাৰ,
গছ লতা কঁপে বতাহত,
থৰিম তেতিয়া গীত বীণধ্বনি লই
বোৱাম এধাৰি চকুপানী,
অন্তৰৰ শোক-গীত উপলি উঠিব
জগতৰ বিষাদ কাহিনী,
যেতিয়া 'প্ৰিয়ঙ্গু' লতা লেৰেলি পৰেহি
শৰতৰ আগমনি পাই—
বিৰহী বিৰহে হয় বেদনা-কাতৰ
প্ৰেমিকক পাই হেৰুৱাই ;
গধূলি তৰাটি যেতে উঠে আকাশত,
প্ৰণয়ৰ বেদনা জগায়,
দূৰে দূৰে থকা দুটি প্ৰেমিক প্ৰেমিকা
নীৰৱে নীৰৱে তাকে চায় ;
তেতিয়া বিপুল বেদন বাজি কান্দে মোৰ প্ৰাণ
সুৰ দিলে প্ৰণয়-অধ্যায় ;
এটুপি চকুলো টোকোঁ সুৱৰি অতীত
পাতে পাতে নয়ন দুটাই
যেতিয়া আমৰ ফুলত আহি ভোমোৰা পৰেহি
উৰি উৰি গুন্ গুন্ কৰি ;—
যেন মদনৰ পঞ্চশৰ থই গুটি গায়
বসন্তত আপোন পাহৰি,
কাণত যেতিয়া পাৰে কুউ কুউ মাত,
কেতেকীৰ ব্যাকুল কাহিনী,
জিলিৰ আৱাও যেতে উঠে পূৰ্ণ স্বৰে
কৰি তোলে জগত মোহিনী ;

মলয়াই চুমি যাই গোলাপ পাহিটি,
অকণৰ আবেগ প্ৰেমতো
"অহিম আবেলি পৰে" কই ওচি যায়,
(গোলাপ) জঁয় পৰি নেযায় লাজতো;
যেতিয়া নিয়ৰে তিতা লাজুকী পহুৱে
দুকয়ক প্ৰণয় খোজেহি,
নিশাৰ বিহাৰ বেথা পাহৰি পেলাই
নিতে নৱ প্ৰেমত পৰেহি;
যেতিয়া মাধৱীলতা আমৰ ফুলক
চুমা খাই আকোৱালি ধৰি,
বলিয়া ভোমৰা উৰি কাণে কাণে আহি
কই যায় প্ৰেমৰ বাতৰি,
যেন বহু দিন দূৰত থকা প্ৰেমিক প্ৰেমিকা
দেখা পাই চুমেহি সাদৰি,
মলয়াত উৰি ফুৰা মেলা চুলিকোছা
দুটি ওঠ ধৰেহি আবৰি
তেতিয়া বীণত মোৰ মিলনৰ গীত
ধৰোঁ মই সুখে দুখে ভৰা,
কত ফুল তোলোঁ মই তোমাৰ কাৰণে
ভাবতেই আপোন-পাহৰা!
সখিয়তী আহি দেখা দিয়েহি যেতিয়া
'সখি' বুলি বিয়াকুল হই,
কায়ৰ জুৰিটি বয় কুলু কুলু স্বৰে
লয়লাসে সাগৰ বিয়াই,
বেলিটি যেতিয়া মাৰ যায় পচিমত,
অনন্তৰ এটি দিন যায়,
শুৱনি পৃথিৱীখনি এক্ষে থৰে দেখি
আকাশৰ পিনে চাই চায়;



তেতিয়া প্ৰাণত মোৰ জিলিকিব আহি
দুৰাশাতো এটি পূৰ্ণ আশা,
তেতিয়া বীণত মোৰ ধ্বনিব উলাহে
অতলৰ মধুময় ভাষা।
বাজিছে আৰতি-শঙ্খ মন্দিৰ মাজত
কৰোঁগই নিজ উপাসনা,
মৰত বিয়পি পৰে এটি পুণ্য ৰেখা
পাতোঁগই সঙ্গীত-থাপনা॥

শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা।

---

## প্ৰত্নতাত্বিক বৰবৰুৱাৰ গবেষণা।

খৃষ্টজন্মৰ উনৈশ-শ-যোল বছৰ, এবাৰ মাহৰ এবাৰ দিনৰ দিনা আসামৰ টাইমচ্ বাতৰি কাকতৰ সৰ্ব্বাংশ প্ৰত্নতত্বৰ পুঃ শ্ৰীযুত ঘোষ বাবুৰ মনত সাগৰৰ পুৰণি তত্বৰ উহ এটা ওলাল। সেইটোৰ বিষয়ে তেওঁতে গবেষণা কৰিবৰ মনোগত কৰিলে আৰু কৰি, টাইমচ্ কাকতত জাননী দিলে। টাইমচ্ কাকত আৰু ঘোষ বাবু, এই যুগলে কানে নে নেজানে কব নোৱাৰোঁ,—কিন্তু বৰবৰুৱাৰ পতি গোত্ৰ পৰ্য্যবেক্ষণ কৰি জনাটো হলে উচিত, যে বৰবৰুৱাও এখন পাতৰ তলত লুকাই থকা ধানপুৰীয়া কঁঠাল প্ৰত্নতাত্বিক; আৰু তেওঁৰো নাড়ীৰপৰা থাকি থাকি একো একোবাৰ একো-একোটা প্ৰত্নতত্বৰ উহ বৰ বলেৰে ওলায়, যাৰ ভিতৰত কোনোটো তেওঁ চম্ভালে আৰু কোনোটো চম্ভালিব নোৱাৰিলে সি "ফাঁচ" হৈ পৰে।

গৰুসৰ্ব্বস্ব আৰ্য্য সকলে অকল গৰুকে লৈ কত গবেষণা, কত বিবেচনা কৰিছিল তাৰ অন্ত নাই, যাৰ সাক্ষী তেওঁলোকৰ শব্দাৱলীত জ্বলোজ্বলে বিদ্যমান; যেনে:— গবেষণ, গবাক্ষ, গবয়, গবল, গবাক্ষ, গবাদন, গবী, গবেন্দ্ৰ, গবেধু, গব্য, গব্যূতি, গোত্ৰ, গোকৰ্ণ, গোকীল, গোকুল, গোষ্ঠ, গোত্ৰ, গোচৰ, গোতম, গোগৃহ, গোত্ৰভিদ্, গোত্ৰা, গোদান, গোধন, গোনাবৰ্দ্ধ, গোদোহনী, গোধিকা, গোধুম, গোধূলি, গোনৰ্দ্দ, গোনৰ্দ্দীয়, গোনস, গোপ, গোপাল, গোপিকা, গোপাল, গোবিন্দ, গোপুচ্ছ

গোপুৰ, গোপ্ৰচাৰ, গোপ্ৰস্তৰ, গোমং, গোময়, গোমায়ু. গোমিন, গোমুখ,গোমুত্ৰিকা, গোমেদ, গোমেধ, গোৰস, গোৰোচনা, গোলাঙ্গুল, গোলোক, গোবৰ্দ্ধন, গোবিষ, গোশাল, গোশীৰ্ষ, গোস্পদ, গোসঙ্খ্যা, গোসৰ্প, গোসৱ, গোস্তন, গোস্বামী, ধেনু, ধেনুক ইত্যাদি। আৰ্য্যবংশাবতংস বৰবৰুৱাও আৰ্য্যলক্ষণাক্ৰান্ত যে হব, তাত সন্দেহ কি? সেইদেখি ঘোষৰ প্ৰত্নতত্বৰ উহ দেখি বৰবৰুৱাৰ প্ৰত্নই তৎমৎ এৰি উক্ দি উঠাটো অস্বাভাবিক নহয়। কিন্তু ঘোষ বাবুৰ প্ৰত্নৰ তত্বটোৰ গবেষণা, অৰ্থাৎ গৃহস্থই হেৰোৱা গৰু বিচৰাদি বিচাৰি ফুৰা সেই তত্বটো কি, এই বিলিতে আমাৰ শ্ৰীযুত বাঁহীৰাম পাঠক আৰু শ্ৰীমতী বাঁহীগীতা পাঠকনীক কৈ দিবৰ নিমিত্তে তেওঁৰ ইংৰাজী প্ৰত্ন-প্ৰশ্ন কেইটাৰ মই কৰা অসমীয়া ভাঙনি তুলি দিলোঁ। যথা:—

## খেৰাসূতী।

(ক) খেৰাসুতী শঙ্কৰদেৱৰ বুঢ়ীমাক আছিল। তেওঁ কোন জাতৰ (cast) আৰু কোন জাতিৰ (tribe) মানুহ আছিল?

(খ) এই শব্দটোৰ এতিয়াও ব্যৱহাৰ আছে নে? যদি আছে, তেন্তে কোন জাতৰ আৰু কোন জাতিৰ ভিতৰত?

(গ) শব্দটো সজা (coined) নে, নাইবা পোনপটীয়ে (direct) স্বভাৱৰ অনুকৰণ কৰি কৰা? (direct imitation of nature?)

(ঘ) শব্দটো এনেবোৰ জাতৰ ছাৱ নে যিবোৰে নৈৰ বা নৰিনৈৰ বা সৰু সুঁতিৰ দাঁতিত বাস কৰে?

(ঙ) এই শব্দটো কোন ঠালৰ? আৰ্য্য নে অনাৰ্য্য?

এই গল ঘোষ বাবুৰ প্ৰত্নতত্ব। কিন্তু এই প্ৰত্নতত্বৰ ঢোলৰ চেও শুনি বৰবৰুৱা প্ৰত্নতাত্বিকৰ গা সাতখন আঠখন কৰি উঠি যি তত্বৰ ভুমুক ওলাইছে তাক তলত দিয়াটো উচিত বিবেচনা কৰিলোঁ. কাৰণ তাৰ এটা গবেষণা হৈ সমালোচনা নহলে, তেওঁৰ "উগুল থুগুল মন, নাহি সুখশান্তি। নপাও উপায় একো মনে গুণি গাথি॥" এইটো কে থওঁ, যে ঘোষ বাবুৰ প্ৰত্নতত্বেৰে সৈতে মোৰ প্ৰত্নতত্বৰ কোনো সম্পৰ্ক নাই; তেওঁৰ প্ৰত্নতত্বৰ গৰু হেৰাইছে, টাইমচ কাকতে গবেষণা কৰি তাক বিচাৰি আনি তেওঁক দিব তাত মোৰ সন্দেহ নাই; মই বৰং তেওঁক আশীৰ্বাদ কৰিব পাৰোঁ যে, অচিৰতে তেওঁৰ বস্তু যেন তেওঁৰ গোহালিলৈ আহে।



আৰু কথাটো খুলি কবলৈ গলে, আহিব বুলি মই মঙ্গল চাই পাইছোঁও, যদিও তেওঁ মোৰ হতুৱাই মঙ্গলখন চোওৱাবলৈ কোনো চেষ্টা কৰা নাই। কিন্তু এতিয়া মোৰ হেৰোৱা গৰুৰ গবেষণা কোনে কৰি দিয়ে, মই তো ভাবি নিৰুপায়। বৰবৰুৱা বুঢ়া মানুহ তেওঁলোকৰ কল-তলে বাঁহ-তলে ফুৰিবও নোৱাৰে। বাঁহীয়ে কিবা স্বৰূপে কিবা উপকাৰ কৰিব পাৰে যদি কৰক, ধৰ্ম্ম হব ইয়াকে থাটো তলত মোৰ প্ৰত্নতত্বৰ ভুমুক কেইটা লিপিবদ্ধ কৰি দিলোঁ. অলমতি বিস্তৰেণ।

(ক) শ্ৰীচৈতন্যদেৱৰ মাকৰ নাম শচী দেবী। শচীদেবী নদীয়াৰ বঙ্গালী মানুহ আছিল। কিন্তু চৈতন্যদেৱৰ বাপেক চিলঠীয়া। সিদিনা চিলঠীয়া ডাঙৰীয়া এজনে এখন সভাত ৰাইজৰ আগত বক্তৃতা দি কৈছিল, যে তেওঁ হেনো অসমীয়াও নহয়, বঙ্গালীও নহয়। ইয়াৰ দ্বাৰাই আমাৰ ধাৰণা হৈছে—অৱশ্যে ভুল নে নিৰ্ভুল তাক খোদাই হে জানে,—যে চিলঠীয়া মানুহ অসমীয়া যে নহয়েই বঙালীও নহয়। এতেকে বঙ্গমহিলাৰ গৰ্ভত চিলঠীয়া বাপেকৰ যিজন পুতেক হৈছিল, সেইজন কোন জাতৰ (cast) আৰু কোন জাতিৰ (tribe) তালিকাৰ অন্তৰ্গত?

(খ) তাহানি শ্ৰীকৃষ্ণৰ দিনত ঘোষ শব্দটোৱে গুৱাল জাতৰ মানুহক বুজাইছিল, যেনে নন্দঘোষ, আয়ানঘোষ। আজিকালি এই শব্দটোৰ ব্যৱহাৰ আছে নে নাই? যদি আছে, আৰু দেখিছোঁ আছেই, তেন্তে ইয়াক উপাধি স্বৰূপে ব্যৱহাৰ কৰোঁতাসকলৰ কি জাত? আজিকালি বঙ্গদেশীয় ঘোষ সকলৰ সৰহভাগে দেখোন নিজক কায়স্থ বুলি কয়; কায়স্থ মানে গুৱাল নে? বৃন্দাবনৰ ঘোষ গুৱাল সকলে ক্ষত্ৰিয় ৰজা সকলেৰে সৈতেও বিয়াবাৰুৰ সম্বন্ধও কৰিছিল; যদি সেই ঘোষ এই ঘোষেৰে মিলে, তেন্তে এওঁলোকে আজিকালি পুনৰ "পৈতা" অৰ্থাৎ লগুণ লৈ ক্ষত্ৰিয়ত্বলৈ উন্নত হবৰ চেষ্টা কৰাত আনে আপত্তি কৰাৰ হেতু কি?

(গ) ঘোষ শব্দটো সজা (Coined) নে (direct invitation of nature) অৰ্থাৎ পোনপটিয়ে স্বভাৱৰ অৰ্থাৎ নিজ ব্যৱসায়ৰ অনুকৰণ কৰাৰ্পৰা হোৱা। ঘোষ মানে ঘোষণা কৰা, ডাক দি মোৱা; অৰ্থাৎ গুৱাল সকলে গাখীৰ বেচিবলৈ বাটে বাটে লৈ ফুৰোতে "কোনে গাখীৰ লবি" বুলি ঘুষি অৰ্থাৎ মাতি বা ডাক দি দিয়িয়াই মোৱাৰ্পৰা হৈছে বুলি পণ্ডিত সকলে অনুমান কৰে; যদি এই কথা সঁচা, তেন্তে ঘোষ সকল নদা বংশৰ হোৱাত সন্দেহ নাথাকে।

(ঘ) "নদীয়াৰ চন্দ্ৰ" চৈতন্যদেৱৰ নাম। নদীৰ বা নৈৰ কাষত থকা বাবে

তেওঁৰ তেনে নাম হৈছিল নে? নদীয়াৰ মানুহৰ কি জাত? আমাৰ দেশত নদীয়াল বুলি এজাতৰ মানুহ আছে; তেওঁলোকৰ পূৰ্ব্বপুৰুষ সকল নদীয়াৰপৰা অহা নে?

(ঙ) নদীয়াল সকলক কোন পাশ্চাত্য পণ্ডিতে দ্ৰাবিড়ী বা অনাৰ্য্য বুলিছিল? তেওঁৰ নাম কি? তেওঁ কি প্ৰমাণৰ ওপৰত এনে অদ্ভুত মত প্ৰকাশ কৰিছিল?

(চ) বঙ্গদেশত অনেক ভদ্ৰ অভদ্ৰ মানুহ আছে, তেওঁলোকৰ উপাধি— হাতী (যেনে, সুৰেন্দ্ৰনাথ হাতী), ঘোৰা যেনে নৰেন্দ্ৰনাথ ঘোৰা, বাঘ (ত্ৰৈলোক্য নাথ বাঘ), হোৰ (যেনে যতীন্দ্ৰনাথ হোৰ), বটব্যাল (যেনে, ৰমেশচন্দ্ৰ বটব্যাল) পাকড়াশি (অভয়চৰণ পাকড়াশি) কলে (যেনে, ভৈৰৱচন্দ্ৰ কলে), পল্যো (যেনে জিতেন্দ্ৰনাথ পল্যো, গড়গড়ি (যেনে চণ্ডীচৰণ গড়গড়ি), দাঁ (যেনে হৰিমোহন দাঁ) ইত্যাদি। এওঁলোকৰ জাত কি? হাতী ঘোৰা আৰু বাঘ সকল কোন জাতিৰ (Tribe) আৰু কোন জাতৰ (Cast)? পিঠিত হোৰা লৈ ফুৰা বাবে "হোৰ" উপাধি হৈছে নে কি? আদিতে বট বা বৰগছৰ গুৰিত থকা আলবালত পানী দিয়া সকলৰ বংশ পৰিয়ালেই বটব্যাল হৈছে নে কি? অথবা কিবা স্বৰূপে তেওঁলোকৰ পূৰ্ব্বপুৰুষ বেট-বল (Bat-ball) খেলিছিল, সেইদেখি এই উপাধি হল। "ৰশি", ৰচি, অৰ্থাৎ জৰীপকোৰাৰ সতি-সন্ততিয়েই "পাকড়াশি" বা পাকৰাচি হৈছে নে কি? কলাইৰ পো-নাতি কলে, আৰু পল বাওঁতাৰ পো-নাতি পল্যো হৈছে নে কি? গড়গড়ি কি হৰপৰা হল? হৰিদাস মুস্তাফিৰ কোনো পূৰ্ব্বপুৰুষ নবাবৰ দিনত বাৰিষ্টাৰি কৰোতে স্বাৰ সিংহৰদৰে মত্তকি (fee) লৈছিল নে? তাৰেপৰা তেওঁৰ উপাধি নে? গৰ্‌গৰ্‌ কৰে বাগৰি যোৱাৰপৰা নে, এ পেটকৈ খাই-বৈ গৰ পৰাদি পৰি থকাৰপৰা নাইবা গাৰুত আউজি "গৰ্‌গৰা" হুপি মাৰলি লেখি থকাৰপৰা? দাঁ কোন জাতৰ? লোৰ নে তীথাৰ? কেনাৰাম ঢোলৰে বা জাত কি? এস, চি, ঢোলৰেই বা কি? এই ঢোল আৰ্য্য নে অনাৰ্য্য ঢোল? আৰু এই ঢোলৰ মাতেই বা কি? গুহ একা? গুহৰ আদি অন্ত কি? আৰ্য্যৰ বেদ উপনিষদ ৰামায়ন, ভাৰত পুৰাণ আদি শাস্ত্ৰত এইবোৰ উপাধিৰ উল্লেখ নাপাওঁ কিয়? সেন ভীমসেনৰ বংশৰ নে উৰি ফুৰা শেনৰ? যজ্ঞসেন, শূৰসেন, আৰু যাজ্ঞসেনী বৈশ্য নে, ক্ষত্ৰিয়? নাইবা ভীমসেনৰ খুলশালীয়েক হিড়িম্বাৰ? বন্দ্যোপাধ্যায়ৰপৰা বাণুৰ্জী কোন ব্যাকৰণৰ সূত্ৰমতে হল? আৰু "ন"ৰ তলত



ওলমাডাল কৰপৰা তাত লাগিলহি? মুখুৰ্জীৰ পূৰ্ব্বপুৰুষ জনে যতে ততে বক্তৃতা কৰি মুখৰ খজুৰতি মাৰি ফুৰিছিল নে কি? ৰবৰকৰাৰ কাশ্যপগোত্ৰ; এনে স্থলত চাটুৰ্জীৰ কাশ্যপ গোত্ৰ হল কেনেকৈ? আৰু দেৱতা অসুৰ গন্ধৰ্ব্ব, কিন্নৰ, পশু পক্ষী আদিৰ বাপেক কশ্যপ। এনে স্থলত কাশ্যপ গোত্ৰৰ ৰবৰকৰা আৰু চাটুৰ্জী সকলে কোন সূত্ৰত ব্ৰাহ্মণত্ব পালে? চট্টোপাধ্যায় বানুৰ্জীক দেখা-দেখি স্বয়ম্ভু স্বৰূপেই চাটুৰ্জী হল নে? সোম (যেনে কৃষ্ণগোবিন্দ সোম), এই উপাধি ধাৰণ কৰোঁতাই সোমবাৰে জন্মগ্ৰহণ কৰিছিল নে? নাইবা সোমৰসত মাখি পৰাদি পৰি সেই নাম পাইছিল? ডৰিক আৰু ম'ৰা চৰাইৰ আলবড়াদি ঘোষৰ আলবাড়ি ঘোষাল হল নে কি? কিন্তু ঘোষাল ব্ৰাহ্মণ; ঘোষ নহয় নেখোন? নীলকমল বাবুৰ ডাক-নাম আছিল "ভোদোৰ"। ভোঁদোৰ নামেৰে এটা জন্তু আছে। নীলকমল বাবু কোন জাতিৰ (tribe)? নৰেন্দ্ৰবাবুৰ ডাক-নাম হাঁদা। হাঁদা মগুৰপৰা হৈছে। নৰেন্দ্ৰবাবু কোন জাতীয়? সিদিনা হুগলী জিল্লাত চন্দ্ৰকান্ত আইচ্‌ বুলি এজন বঙ্গদেশীয় মানুহক লগ পাইছিলোঁ। তেওঁৰ কি জাত বা তেওঁ কোন জাতিৰ? তেওঁৰ উপৰি পুৰুষজনে বাজ হাঁহ পুহি সেই হাঁহক "আইচ্‌" বুলি মাতিছিল নে কি যে তাৰেপৰা তেওঁৰ বংশৰ সেই উপাধি হল? প্ৰত্নতত্ত্বজ্ঞ পাঠক পাঠিকা পণ্ডিত পণ্ডিতনী সকলে গবেষণা কৰি মোৰ প্ৰশ্নবোৰৰ উত্তৰ দিলে সন্তোষ পাম। সৰোজিনী ঘোষজায়াৰ মতা-নাম আছিল খুদী। তেওঁৰ ব্যৱসায় জাত কি আছিল? দেওবৰীয়া হাটত তেওঁ খুদ-চাউল বেচি দুই চাৰি পইচা আনি গিৰিয়েকৰ সংসাৰযাত্ৰা নিৰ্ব্বাহ কৰি দিছিল নে কি? নাইবা এই ঘোষজায়াৰ গাত খুদ-খহ হৈছিল, যাৰ নিমিত্তে তেওঁৰ নাম তেনে হৈছিল? বিনোদিনী গুপ্তাক সকলোৱে পুঁটি বুলি মতা শুনিছিলোঁ। তেওঁৰ এই নামে তেওঁৰ কি জাতি কি ব্যৱসায়ৰ সূচনা কৰে কোন বা প্ৰত্নতত্ত্ববিদে মোক কৈ দিব নে? তেওঁ ধন পুতি যোৱাৰ বাবে সেই নাম পাইছিল নে, নাইবা পেয়েকৰ পিঠিৰ ঘামচি মাৰোতে পুট্ পুট্ কৰে ভগা ঘামচিৰ শব্দৰপৰা সেই নামে তেওঁৰ গাত বাহ ললে? মৃণালিনী দত্তৰ নাম খুকী। তেওঁ খক্ খক্ কৰে কহাৰপৰা তেনে নাম পাইছে নে, নাইবা তেওঁ কুকিত ফুল লৈ বেচি ফুৰি মালিনীৰ ব্যৱসায় কৰাৰ বাবে! ইতি

প্ৰত্নতত্ত্বৰ ওজা ৰবৰকৰা ৰূপাবৰ।

———

# মন্ত্ৰ।

মন্ত্ৰৰ অৰ্থ বিবিধ। ঠাওকতে কবলৈ গলে, মনেৰে আগ-পিছ ভাবি-চিন্তি কোনো এটা বিষয় ঠাৱৰ কৰাকে মন্ত্ৰ বোলে। মনৰপৰা উদ্ভৱ হোৱা হেতুক মন্ত্ৰ। মন নথকা হলে মন্ত্ৰ কথাটোৱেই নোলাল হেতেন। আমাৰ শৰীৰত থকা আতাইবোৰ ইন্দ্ৰিয়ৰ থাই মুঠটোৱেই মন। মন এটা বৰ ডাঙৰ ইন্দ্ৰিয়। এই দেহৰূপ ৰথখনক মনৰূপ ঘোৰাটোৱে নিতৌ টানি লৈ ফুৰায়। মন যদি বাটে যায়, তেন্তে দেহৰ কল্যাণ হয়, আৰু মন যদি বাটে নেযায়, তেন্তে দেহৰ অমঙ্গল ঘটে। মনৰ লগত শৰীৰৰ বৰ ঘনিষ্ঠ সম্বন্ধ। মন ভালেই শৰীৰ ভাল, শৰীৰ ভালেই মন ভাল। সেইদৰে মন বেয়াহলেই শৰীৰ বেয়া হয়, শৰীৰ বেয়া হলেই মনো বেয়া হয়। মন অভ্যাসৰ বশ। অনভ্যাসত মন কেতিয়াও বশত ৰাখিব নোৱাৰি। যাৰ মন বশত নাই, তাৰ পৃথিবীত জীৱনেই মিছা। এই মনেই মানুহক দেৱতা হে নালাগে, ঈশ্বৰ কৰিব পাৰে, আকৌ এই মনেই মানুহক নৰাধম হে নেলাগে, পশুও কৰিব পাৰে। মন ঠিক ৰাখিবৰ নিমিত্তেই শিক্ষা কৰিবৰ আৱশ্যক। উপযুক্ত শিক্ষা নেপালে, মন বশ কৰিবলৈ অভ্যাস গঢ়িব নেজানে। সেই হেতুকে নিচেই সৰুৰেপৰা লৰাছোৱালীক সজ লগৰীয়াৰ লগ আৰু সজ শিকনি দিবলৈ মাক বাপেকে কেতিয়াও পাহৰিব নেলাগে। গুৰিতে লৰাছোৱালীক সজ বাট লগাই দিব নোৱাৰিলে, আগলৈ সজ বাট লগাবলৈ বৰ টান হৈ উঠে। উপযুক্ত শিকনি পোৱা মনে সজ মন্ত্ৰণা কৰিব পাৰে। মন্ত্ৰণাত পাৰ্গত মানুহেই উপযুক্ত মন্ত্ৰী। সকলো কামতে আলোচনা বা মন্ত্ৰণা লাগে। পৃথিবীত যিমান উন্নতি হোৱা দেখা গৈছে, সকলো মন্ত্ৰণাৰ বলতহে হৈছে। মন্ত্ৰণাৰে যিটো বিষয় থিৰাং কৰে সেইটোৱেই মন্ত্ৰ। এতিয়া মন্ত্ৰ পুথিবোৰক বিজ্ঞান শাস্ত্ৰ বুলিলেও ভুল নহয়, কাৰণ বিজ্ঞানত মন্ত্ৰণাৰে ঠাৱৰ কৰা বিষয়ৰ বাহিৰে অইন একো নাই।

আমাৰ আৰ্য্য সকলৰ ভিতৰত আগেয়ে এসময়ত এই বিজ্ঞানৰ বৰ আলোচনা হৈছিল। সকলো বিষয়তে তেওঁবিলাকৰ মন্ত্ৰণাই সকলোত কৈ ওখ ঠাই পাইছিল পৃথিবীৰ সকলো জাতিয়ে তেওঁবিলাকৰেপৰা মন্ত্ৰ ধাৰ কৰি নিছিল। কালক্ৰমে আৰ্য্যাবৰ্ত্তত শিকাবো ওৰ পৰিছিল, মন্ত্ৰণাৰ সোঁতো কমিল, তাৰ লগতে মন্ত্ৰও নাইকিয়া হল কেৱল নামটোহে ভাগিছিগি চিন হৈ পৰি থাকিল। আৰ্য্যাবৰ্ত্তৰপৰা



মন্ত্ৰ বিদায় লোৱাৰ লগে লগে আৰ্য্যসকলৰ সন্তানসন্ততি বিলাকো উন্নতি পৰ্ব্বতৰপৰা থহি বাগৰি আহি অৱনতি খালত লুটিখাই পৰিলহি। এতিয়া খালৰপৰা পৰ্ব্বত লৈ উঠা দূৰতে থাওক পাৰলৈ উঠিবলৈকো টাণ হৈ পৰিছে।

আগেয়ে আৰ্য্য সকলে সকলোকামকে মন্ত্ৰৰ বলেৰে কৰিছিল। মন্ত্ৰৰ বলেৰে স্বৰ্গ মৰ্ত্ত্য পতাল একেঠাই কৰিছিল। অগ্নি ( জুই ) ইন্দ্ৰ ( বৰষুণ ) বৰুণ ( আকাশ ) সবিতা ( সূৰ্য্য ) মৰুৎ ( ধুমুহা বতাহ ) আদি দেৱতা সকলক মন্ত্ৰবলেৰে বশ কৰি নিজৰ কৰাবলগীয়া কাম কৰাই লৈছিল। অৰ্থাৎ প্ৰাকৃতিক দ্ৰব্য গুণ বিদ্যা আলোচনা কৰি তাৰ সিদ্ধান্তৰ দ্বাৰাই প্ৰয়োজন সিদ্ধি কৰি লৈছিল। নিমিষতে আকাশ পতাল ঘূৰি অহা ; যুদ্ধত জয় লাভ কৰা ; বেমাৰলগীয়া হৈ শৰীৰ অসুস্থ হলে, তাক সুস্থ কৰা ; এই কামবোৰো মন্ত্ৰেৰে কৰিছিল।

অগ্নিবাণ, বায়ুবাণ বৰুণবাণ নাগপাশ মাৰনমোহন, বশিকৰণ আদি বহুত বিষয় মন্ত্ৰদ্বাৰা কৰিছিল। এতিয়া ভাৰতবৰ্ষত সেইবোৰৰ নামহে আছে, কাম নাই। আগে মন্ত্ৰৰ জীৱ আছিল, এতিয়া জীৱ নাই, মৰা শ, পৰি আছে। আগৰ দিনত ব্ৰাহ্মণ সকলেই মন্ত্ৰণাকৰোঁতা আৰু মন্ত্ৰ সিদ্ধ কৰি দিওঁতা মন্ত্ৰী আছিল। কিয়নো, বিদ্যা আৰু জ্ঞান ভঁড়ালৰ শিক্ষাৰূপ চাবি-কাঠি তেওঁবিলাকৰ হাততে আছিল। অইন কাৰো সেই বিষয়ে অধিকাৰ নাছিল। বিদ্যা আৰু জ্ঞানৰ বলেৰেই তেওঁ-বিলাকে ব্ৰহ্মক জানিছিল গুণে তেওঁবিলাকৰ নাম ব্ৰাহ্মণ আছিল। তেওঁবিলাকেই বিদ্বান জ্ঞানী আৰু সকলো বিষয়তে শিক্ষিত হৈছিল বাবেই দেৱতা আছিল। সেইবাবেই "ব্ৰহ্ম বাক্যং জনাৰ্দ্দনং।" এতিয়া সেই বিদ্যা, সেই জ্ঞান, সেই শিক্ষা নাই ; সেইদৰে দেৱভাবো নাই ব্ৰাহ্মণো নাই। থকাত আছে কেৱল বামুণ নামটো। এনে স্থলত মন্ত্ৰৰনো বল হব কৰপৰা ? মন্ত্ৰ নাইকিয়া বামুণ আৰু বিষ নাইকিয়া ঢোৰা সাপ দুয়ো সমান।

এতিয়া মন্ত্ৰবিলাকে ইয়াত মোট সনাই পূবৰপৰা গৈ বহুত আঁতৰত পশ্চিম-ফালে ভুমুকিউৱা দেখা যায়। ভাৰতবৰ্ষে মন্ত্ৰৰ আদৰ নেজানিলেগুণে ইয়ুৰোপ পালেগৈ। যাৰগাত মন্ত্ৰ থাকে সেয়েহে ব্ৰাহ্মণ—এতিয়া ইয়ুৰোপত ব্ৰাহ্মণ সৃষ্টি হৈ ভাৰতবৰ্ষক হেকান পাৰিছে। ভাৰতবৰ্ষই ইংৰাজী মন্ত্ৰ শিকিবলৈ হেপাহ কৰি গলেও তেওঁবিলাকে লাজ পাই শিকাবলৈ পিছ হোহঁকে। মন্ত্ৰ শিকিলেও তাক চলাব নেজানিলে সমুলি মিছা। ইয়ুৰোপত মন্ত্ৰৰ বলেৰে এতিয়া আকাশত উৰা

আৰু পানীত চলা জাহাজ, ৰেল, টেলিগ্ৰাফ, ফনোগ্ৰাফ, ফটোগ্ৰাফ, বাইচেকল মটোৰকাৰ এৰোপ্লেন আদি নানা তৰহৰ বহুত বস্তু উলিয়াই মানুহৰ কামত লগাইছে জগতত মন্ত্ৰবলেৰে উধাব নোৱাৰিলে, কেতিয়াও জাতীয় উন্নতি সাধিব নোৱাৰে।

সাপে মোট সলাই গলে সেই মোটটোৰে জানো খুটিব? মোটটোক সাপ বুলি ভবা মূৰ্খালিৰ বাজে একো নহয়। মন্ত্ৰবো সেই দশা। মন্ত্ৰৰ শব্দবোৰে কি কৰিব পাৰে? মন্ত্ৰণা কৰি অৰ্থাৎ আলোচনা কৰি, তাক সিদ্ধ কৰিব লাগে, তেহে তাৰ জীৱন পায় আৰু কামত লাগিব পাৰে। মন্ত্ৰবোৰ জীয়াবলৈ শিক্ষাৰূপ সঞ্জীৱনী সুধাৰ আৱশ্যক।

ভাৰতবৰ্ষৰ ভিতৰত আসাম আৰ্য্য সকলৰ অতি পুৰণি দেশ। ইয়াক পূৰ্ব্বে কামৰূপ বুলিছিল। ইয়াৰ মানুহবিলাক মন্ত্ৰত বৰ পাৰ্গত আছিল, যিহকে ইচ্ছা তাকে কৰিব পাৰিছিল বুলি এতিয়াও প্ৰবাদ আছে। কামৰূপত আগেয়ে সংস্কৃত বিদ্যাৰ বৰ চৰ্চ্চা আছিল। কামৰূপৰ মন্ত্ৰ-তন্ত্ৰ ভাৰত বিখ্যাত আছিল। কামৰূপত অনেক বিষয় বিদ্বান জ্ঞানীসকলে মন্ত্ৰণা দ্বাৰা সিদ্ধ কৰি মন্ত্ৰৰূপে কামত লগাইছিল। এতিয়া সেই কামৰূপো নাই, সেই বিদ্বান্ জ্ঞানীও নাই, গতিকে মন্ত্ৰণা সিদ্ধ কৰি মন্ত্ৰ কামত লগাই কোনে? এতিয়া কামৰূপ গুৱাহাটী হল, আৰু মন্ত্ৰবোৰ কেতবিলাক আদুৰাভৰা ফাচফুচ, শব্দ হল। বহুত অবুজন মানুহে এতিয়াও তাকে পতিয়াই অযথাত ধন-বিত খৰচ-ভগন কৰি থাকাং হয়।

আমাৰ মনটোৰ ১৬ ভাগ বা কলা আছে। যাৰ তেনেই ১৬ কলা অজ্ঞান আঁউসীয়ে ঢাকি থৈছে, সিয়ে অধা মূৰ্খ। যি মানুহৰ মন যি পৰিমাণে এন্ধাৰ ঢাকনী এফলিয়া হৈ পোহৰ হৈছে, সেই পৰিমাণে সেই মানুহ সিমান জ্ঞানী হব পাৰিছে। যাৰ ১৬ কলা তেনেই মুকলি হৈ পোহৰ হৈছে; তেৱেঁই এই পৃথিৱীত দেৱতা বা ঈশ্বৰ। মনৰ শক্তি আৰু কাৰ্য্যৰ সীমা নাই। মনে বলে নোৱৰা বা কৰিব নোৱৰা পৃথিৱীত একো বন নাই। মন লগাই যি বন বা শিক্ষা কৰাঁ তাত সাফল নহৈ নেথাকে। মন থিৰ ৰখাই টান। মন লৈ তুমি পঢ়িবলৈ ধৰিবা মেলা পুথি মেলাতে থাকিল, মনটো কৰবাত খেমালিকৈ ফুৰিবগৈ, তোমাৰ পঢ়া হব কেনেকৈ? মুখেৰে মিছাকৈ ভটভটাই থাকিলে একো নহয়। মনত থাকিলে হে? গানো পুথি গল উৰি, মন ফুৰিছে ত্ৰিভুবন ঘুৰি। বিচাৰকে বিচাৰ কৰে কছাৰি ধৰত, পিছে মন থাকে গৈ নিজৰ ঘৈণীৰ কাষত নতুবা অইন ঠাইত;



উকিলে তৰ্ক কৰে বিচাৰকৰ আগত, কিন্তু মন গৈ গছতলে তলে মক্কেল বিচাৰি ফুৰে নাইবা মক্কেলৰ চোলাৰ জেপত ধন বিচাৰি ফুৰে; গোসাই মহন্তই শিচৰ আগত ধৰ্ম্ম ব্যাখ্যা কৰে, তেওঁৰ মন গৈ শিচৰ ঘৰে ঘৰে দাই-ছিদ্ৰ বিচাৰি নহলে নিজৰ ধন বস্তু চ'ই-চিতি ফুৰেগৈ; সেই দৰে শিচেও বৰ ভকত হৈ ধুতি গাৰে বণ্ডা চুৰিয়া চেলেং লৈ নাম ঘৰ বা গোসাঁই ঘৰ সোমায় নাম গুণ-লবলৈ, ইপিনে মন গৈ বাৰে ভচহ কামত ঘুৰি ফুৰে গৈ; এই দৰে যেয়ে যি কামকে লাগে কৰক মন ধৰি বাখিব নোৱাৰিলে, সকলো মিছা। মন দি কৰিব নোৱাৰিলে, মনত ৰাখিব নোৱাৰিলে কৰা নকৰা একে কথা। মন থিৰ কৰিব পাৰিলে, শিকনি মতে অভ্যাস কৰি মনৰ উন্নতি কৰিলে সকলো বিষয়তে নিশ্চয় জয় হবে। শিক্ষিত, থিৰ, ওখ আৰু অভ্যাস থকা পাকৈত মনেৰে যিহকে মন্ত্ৰণা কৰি কৰ বা কৰিব সেয়ে মন্ত্ৰ হৈ উঠিব। বাতুল মনৰ শব্দৰূপী মুখৰ মাতে একো কৰিব নোৱাৰে। মন্ত্ৰ জীয়াবলৈ হলে যোগ কৰিব লাগে অৰ্থাৎ মন থিৰ, ওখ, শুদ্ধ, শিক্ষিত ও অভ্যাস কৰি পৰিষ্কাৰে সৈতে কামত লগাব পাৰিব লাগে। এতিয়া যে হিপ্নোটিযম্, আদি কিছুমান বিদ্যা ওলাইছে এই বিলাকো মনৰ হে কাম মাথোন। আগে ইয়াক কোনো কম্ম বুলি নধৰিছিল।

শ্ৰীসত্যানন্দ সাম্য।

---

# অসমীয়া জাতি।

১

আমিও এটা মস্ত জাতি গোটেই আসাম জুৰি,
হওঁনে নহওঁ কথাটোকে নোছোৱাঁ কিয় ঘুৰি?
কত আমাৰ বৰমুৰিয়া দেশ উজ্জ্বলকাৰী,
আছে আমাৰ লগতেই পৰি শাৰীয়ে শাৰী।
সেইবোৰ আমি নেমানো, যেনে মাউত নোহোৱা হাতিটো
আমিও থিক তেনে বিধৰ অসমীয়া জাতিটো।

২

আমি প্ৰত্যেকেই এক সেনাপতি আৰু প্ৰত্যেকেই এক নেতা,
প্ৰত্যেকৰেই বাহাদুৰী "ব্যাম্ছা নবাব কে বেটা"!
বুঢ়ালোকক ইতিকিং কৰোঁ—'পৰকিতি লৰা',
কত ঠাট্টা মস্কৰাৰে আমাৰ অন্তৰ ভৰা;
তাৰে অলপ কৰলৈ গলেও পুৰাই যাব ৰাতিটো,
যেনেহে আমি সুলক্ষণা অসমীয়া জাতিটো!

৩

সদায় আমি নিষ্কৰ্ম্মাৰ পো, নকৰো একো কাম,
লোকে ৰান্ধি আনি বাঢ়ি দিব তেহে আমি খাম;
পিন্ধাউৰা কাপোৰকানি তাকো দিব লোকে,
আমাৰ নিজৰযোপা পেৰাত থাকোতেই কুটি পেলাই পোকে।
আমি একালে যাবৰ হলে লোকে ধৰিব চাতিটো,
তেহে আমি লৰাও খোজ এনেহে আমাৰ জাতিটো!

৪

একতাত আমি একোটা কেতিয়াবাহে লগ,
তাকে দেখি নিতৌ লোকে আমাক বোলে ঠগ।
ভায়ে ভায়ে মিলিব নোৱাৰোঁ কিয় আমি জানানে,
আমাৰ প্ৰত্যেকৰেই বেলেগ মত এইটো তুমি মানানে?
মানা তুমি ধন্য হোৱা, চাইলৈ আমাৰ আঁতিটো;
কিৰপিন নে দানী আমি অসমীয়া জাতিটো!

৫

লোকৰ দুখত দুখী হোৱা নহয় আমাৰ ধৰ্ম্ম,
মৰামৰি কটাকটী এইটোহে আমাৰ কৰ্ম্ম।
আমাৰ—নাচ গানত, ভাল কানত ওহোঁ,
আমি সদায় কুঁহিয়াৰ এৰি মেওৰা পৰি চোহোঁ।
কেতিয়াও আমি ভাবি নিদিও ভাল কামৰ দাতিতো,
মূৰ পলুয়াই থকা আমি অসমীয়া জাতিটো!



৬

সাম্য গান গাওঁ মুখতে নাই তাল মান,
যি আহে তাকেই গাওঁ মাৰোঁ একোটা তান;
মঙ্গল চুতি সুৰ বোৰক ওলোট পালট কৰোঁ,
ধৰিব লাগিলে এঠাইৰপৰা আন ঠাইত ধৰোঁ!
তাৰ লগতে বাদ্য বজাওঁ লোটা, কাঁহী, বাতিটো,
চাপৰিতে মুধা ফুটৰা অসমীয়া জাতিটো!

এম, মোছলেহ্ উদ্দিন আহমদ।

---

# বৰবৰুৱাৰ বৰ আশীৰ্ব্বাদ।

কৰ লেঠাৰ জঁজী উটী আহি কত লাগেহি কব নোৱাৰোঁ। কালি ৰাতি "শয়নে পদ্মনাভ" কৰি শুই, আজি "উঠনে" "টকাৰাম" বুলি উঠি, চকুমোহাৰি, মুখ ধুই, নিত্যকৰ্ম্ম কৰি, বহিছোঁ, এনেতে বাঁহীৰ বহীয়া সম্পাদক সমাগত। মই শুধিলোঁ—"ভটং কৰে দেখোন?" উত্তৰ পালোঁ—"এৰা"। মই কলোঁ "নেৰোঁ কি সকামত নো সম্পাদক "বাবাজীৱনৰ" সমাগম, মই জানিব লাগে।" উত্তৰ বহিৰ্গত হল "বাঁহীয়ে আজি আঠ বছৰত ভৰি দিলে, সেইদেখি আপুনি আশীৰ্ব্বাদ একেবাৰ দিব লাগে তালৈকে বুলি আহিছোঁ।" মই শুধিলোঁ—"আঠ বছৰত বাঁহীক তুমি গৌৰী দান কৰিব খুজিছা নে, যে তালৈকে আশীৰ্ব্বাদ দি উলিয়াই দিব লগা হৈছে?" তেওঁকলে "এৰা"। মই কলোঁ "নেৰোঁ, প্ৰথমতে মোক নকলে—বাঁহী কোন লিঙ্গ?" তেওঁ উত্তৰ দিলে "নোৱাৰোঁ কব।" মই বোলোঁ "তেনেহলে বাঁহীক গৌৰীদান দিবলৈ ওলাইছা কেনেকৈ! ছোৱালীক হে বিয়া দি গৌৰীদান সম্প্ৰদান কৰে। তোমাৰ মনুকত লৰাকো তেনেকুৱা কৰে নে কি? বঙ্গালীৰ দেশত অৱশ্যে কোনো কোনো দুখীয়াই নিজৰ পুতেকক ধনীৰ ছোৱালীত সম্প্ৰদান কৰাটো দেখা যায়, আৰু আমাৰ দেশত অসমীয়া দুই এজনৰ গাতো সেই ছাটি লগা যে আমি দেখা নাই এনেও নহয়; তথাপি এইটো দস্তুৰ নহয় সেইটো তোমাৰ জনা থকাটো উচিত বিবেচনা কৰোঁ।" তেওঁ কলে "হয় ডাঙৰীয়া; কিন্তু

তথাপি বাঁহীৰ লিঙ্গ বিষয়ত আপোনাক মই সন্তোষজনক উত্তৰ দিব নোৱাৰিলোঁ। মই কলোঁ।—"তুমি মুগ্ধবোধ ব্যাকৰণ পঢ়া উচিত। তোমাৰ লিঙ্গজ্ঞান কম বুলি মই বুজিছোঁ ; কাৰণ তুমি অসমৰ অনেক ভীম-টোকাক পুৰুষ বুলি ধৰি লৈ, সমতুল্য ভাৱে আক্ৰমণ কৰাটো অনেক বাৰ মোৰ দৃষ্টিগোচৰ হৈছে। সেই ভীম-টোকাবোৰৰ কঁকালত চুৰিয়া আৰু ওঁঠত গোফ দেখিয়েই, তুমি স্বভাৱ-চৰিত্ৰ গঢ়-গতিলৈ মন নকৰি, সিহঁতক মতা বুলি ধৰি, বিপক্ষ পাতিলৈ খুন্ মাৰিবলৈ সদায় মূৰ পাতা। বাস্তবিকতে সেইবোৰ পুং বাচক নহয়, তিকতাৰ শাৰীৰ হে। এনে ভুল তোমাক Systematically কৰা দেখিছোঁ।—যাওক সেইটো বাৰু কোৱাঁচোন বাঁহীৰ পতি কোন ?" তেওঁ উত্তৰ দিলে—আকৌ মোক মফিলত পেলালে ডাঙৰীয়া। বাঁহীৰ সেইবিধ বিষয়াৰ বিষয়েও মোৰ জ্ঞান কম। মই কি উত্তৰ দিম ভাবি পোৱা নাই।" মই কলোঁ "বাঁহীৰ বিষয়ে তোমাৰ বিদ্যা যে টনটনীয়া, সেইটো মই বুজিছোঁ ; তুমি আৰু মোৰ প্ৰশ্নৰ উত্তৰ দিব নেলাগে। কিন্তু দ্ৰৌপদী, কুন্তী, তাৰা মন্দোদৰী প্ৰাতঃস্মৰণীয়া, সেইদেখি বাঁহীৰ বিষয়ে গোনপটীয়ে সঁচা কথাষাৰ কওঁতেও তুমি ভয় খাবৰ সকাম নাছিল, কিন্তু তুমি ভয় খাই কথাষাৰৰ উত্তৰ ভাঁৰিলা। কিন্তু মোৰ এইষাৰ কথা মনত ৰাখিবা, তোমাৰ বাঁহীও প্ৰাতঃস্মৰণীয় হৈছে আৰু হবও। তোমাৰ বাঁহী "অষ্ট বৰ্ষে ভবেৎ গৌৰী" নৱবৰ্ষেতু ৰোহিণী"। এতেকে মোৰ আশীৰ্ব্বাদ এজোলোকা দিয়াত কোনো আপত্তি নাই আঠু লোৱাঁ। অ, মই ভুল কৰিছোঁ, বাঁহীকহে আঠু লবলৈ কৈছোঁ :—

## আশীৰ্ব্বাদ।

বাঁহীৰ কুশল কৰক, কল্যাণ কৰক, আয়ু শ্ৰীবশ ধন-সম্পত্তি বাঢ়ক, অপায় অমঙ্গল দূৰ হওক ! বাঁহী ৰাজকাৰ্য্যত দেশৰ কাৰ্য্যত আৰু মাতৃভাষাৰ কাৰ্য্যত জয়যুক্ত হওক। গ্ৰহদোষ, দৈবদোষ, দশাদোষে বাঁহীক নপৰশক, কোনো উপচক্ৰে নাপাওক। বাঁহীৰ হৰগৌৰী বসতি হওক। বাঁহী সুপুত্ৰৱতী হওক ; সপুত্ৰবান্ধৱে মঙ্গলে থাকক। পাঁচ পাণ্ডৱৰ নিচিনা পাচোটা দিগ্‌গজ বেটা বাঁহীৰ হওক। বৰটো "লেবকাই" দীঘলকৈ চুলি ৰাখি "ফুল" কৰি হওক। মাজুটো ছলিয়ে কাকতৰ সম্পাদক হৈ নিজৰ ঢোল নিজে তিনিউ প্ৰহৰত বাই শত্ৰুৰ মুখত ছাই দি নাচক আৰু লোকক ৰৰল আৰু কোঁদোৰে কামোৰাদি কামুৰি নমলামল কৰক। সৰু মাজুটো বেটাই প্ৰবীণ লেখক হৈ বহুইচ্ কাৰ ভুকান জেওৰাধৰি চেপি তাৰ বহ উলিয়াই সেই বহি মৈলানত পগাইলৈ হিউমৰচ্ (humorous) প্ৰবন্ধ লেখক আৰু বহুইচৰ জোখ বঢ়াই লৈ, লোকৰ ভোজলৈ গৈ পেটপেলাই ডিঙিলৈকে ঠাহি খাই অঁতাই, লগত নিজৰ ঘৰলৈ কেউফালৰ পাতৰপৰা সামৰি সুতৰি চুচি টোপোলা বান্ধি আনক। সৰুটো "লোগাই' চব্‌ডিপুটি হাকিম হৈ, মদাহী হৈ, বেলৰ ষ্টেচনত ঢলং-পলং কৰি ফুৰি স্বৰ্গ-সুখ লভক আৰু ধৈণীয়েক হাকিমণীক নগুৰ শান্তি কৰি, ৰাজ আলিয়ে আলিয়ে খেদি খেদি মাৰি বৰমটা ওলাই, মহাৰাজ যমেৰে সৈতে একে খাটোলাতে উঠি ৰাজকাৰ্য্য কৰি "হাওৱা খাই" ফুৰক। কনটো নবাই হনৰেৰোল হৈ লাটচাহাবৰ সভাত বহক, আৰু লোকে লেখি দিয়া বক্তৃতা পঢ়ি আৰু বেবেৰিবাং প্ৰশ্ন কৰি সংসদ সকলৰ কাণৰ কণামাকৰি সৰাওক। তাৰ উপৰি সেই পোৱে কণী কুকুৰীৰ কণী, পিৰবকচৰ পাউৰুটী "বন বিস্কুট" খাই, ডাক-জাহাজত দমদমাই ফুৰক, আৰু তদোপৰি প্ৰথম শ্ৰেণীৰ বেলৰ ভেবোণ চকাঁবৰপৰা আদায় কৰি তৃতীয় বা ইণ্টমিডিয়েট শ্ৰেণীত অহাযোৱা কৰি টকাত বাৰ অনা তিনি পইচাকৈ ৰাহি কৰক।

শেহত আৰু একাষাৰ আশীৰ্ব্বাদ কৰি কৈ থওঁ, যে যদি কিবা স্বৰূপে পুত্ৰৰত্ন পাচোটাৰ ওপৰঞ্চি "এপেণ্ডিক্স" (Appendix) ৰূপে আৰু এফেৰি "বাপাছেনা" হয়, তেন্তে সি যেন অনাহাৰী (Honorary) মাজিষ্ট্ৰেট হাকিম হৈ হাঁহটো, পাৰটো লাওটো কোমোৰাটোৰেপৰা আৰম্ভ কৰি ছকুৰি ৰূপলৈকে ভেটী খাবলৈ পায়।

কুপাৰৰ।

---



## নাম।

কোৱাঁচোন লাহৰী সোনাই,
মোৰ এই বীণৰ তানত
হৃদয়ৰ প্ৰেম মন্দিৰত
কিনো নামে তোমাক শুধাই ?—
নিৰুপমা উৰ্ম্মিলা সুন্দৰী
মায়াবিনী হেলেনকুঁৱৰী,—

মহাকাব্য তন্ন কৰি
কিনো নাম আনিম বিচাৰি ?
—নাম মাথোঁ ৰতাহৰ দৰে,
নাই তাত অকণকে সাৰ,
কোৱাঁ মোক যি ইচ্ছা তোমাৰ,
কিন্তু তাক ক'ধা সাদৰেৰে।
কোৱাঁ মোক মন্দাকিনী নই,
প্ৰণয়ৰ সোণালী ছবিটি,
মোৰ মাথোঁ এয়েহে মিনতি,
মৰতত সৰ্গ পাপি নই
ক'বা প্ৰেম পুলকিত হই,—
'তুমি মোৰ, তোমাৰেহে মই'

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

# অসমীয়া ৰৰচহকী।

কথাটো সত্যবুলি স্বীকাৰ কৰাও অসঙ্গত নহয়। কাৰণ যেতিয়ালৈকে কোনো জাতিয়ে আনক হাত নপতাকৈ নিজে নিজে তৰিব পাৰে তেতিয়ালৈকে সেই জাতি চহকী বুলিব লগা। কিন্তু যেতিয়াই পৰৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰে তেতিয়াই সেই জাতিৰ দুঃখীয়াৰ চিন আৰু সেই জাতিৰ অৱনতি অনিবাৰ্য্য। মানুহ চহকী হয় কেনেকৈ ? আজিকালিৰ বৈজ্ঞানিকে উৰাই দিবও পাৰে তথাপি প্ৰাচীন নীতিজ্ঞ সকলে কয় :—

"বাণিজ্যে বসতে লক্ষ্মীং তদৰ্দ্ধং কৃষিকৰ্ম্মণি।
তদৰ্দ্ধং ৰাজসেবায়াং তদৰ্দ্ধং ভ্ৰাম্য যাজনি ?"

প্ৰকৃতপক্ষেও আমি দেখাতে বাণিজ্যৰ দ্বাৰা চহকীহে নালাগে দেশ বিদেশ জয় কৰি ফুৰিছে কোনো কোনোৱে কয় "A nation is known by its trade" বাণিজ্যই একোটা জাতি চিনাই দিয়ে।



আমি অসমীয়া এটা বেলেগ জাতি। আমি জাতি এটা কিহেৰে ? নাই বাঁহী আলোচনীত দিয়া খিচিৰি ভাষাত লিখা অসমীয়া প্ৰবন্ধৰে নে ? নাই সাজ পাৰে নে ? নাই ৰীতি-নীতি আচাৰ-ব্যৱহাৰ আদিৰে নে ? নাই কৃষি শিল্প বাণিজ্যেৰে ? চাবলৈ গলে একোৰপিনে একোটো নাই।

কিয় নাই ? এই বুলি সুধিলে উত্তৰ আছে নে ? নিশ্চয় আছে, কিয় নহব। কেৱল আমি আমাক চিনি নাপাওঁ। সেই নিমিত্তেই আমাৰ নিছিনা দুঃখীয়া পৃথিৱীত বৰ্ত্তমান নাই।

বহু কথা নকলেও হয় যে আজিলৈকে অসমীয়াই ধান মুঠিৰে সকলোতকৈ চহকী বোলাই আছিল। আনক হাত পাতিব নালাগিছিল। কত কাৱৰাবীয়ে ধানৰ কাৰবাৰ কৰিয়েই পকা দালান সাজিলে। কত চাহাবে অসমীয়াৰ ধানেৰেই অতবোৰ কুলি পুহিলে। কিন্তু অসমীয়া বাবু সকলে কৰিলে কি ? আসামৰ চাউল বাৰে ঘিনাই অসমীয়া চাউলৰ ঠাইত বালাম, নলচাতি, পেঙ্নী চাউলহে খোৱা হল, সেই কাৰণেই আজি যে বছৰটোৰেক অসামত আকাল হৈছে তাক বাবুসকলে গম পোৱা নাই। কাৰণ আগন্তুক দেখিয়েই "মাৰোৱাৰী" পেটৰ দেৱতাসকলে বিদেশী চাউল আনি পচাই থৈছিলহি। ধুকাল অসমীয়া চাউল, পঠালে বাবুসকলে কেঞাৰ ঘৰলৈ পেট ভৰোৱাৰ অৰ্থে, পঠালে কেঞা বাবুয়ে চাকৰৰ হাতত চাউল—লেখিলে খাটাত টকাৰ /৪ সেৰ—পৰিল মাহৰ ওৰ—ওলালহি মহাজন—বাবু ! এটেনা কপীয়া হৰা—আজা বৰ চাহাব বা পাচ বিল ভেজা, ঠোৰা চবুৰ, চেলাম বাবু, আচ্ছা চেলাম। বচ্ হল বাবুজীৰ ৰোজগাৰ।

প্ৰভুৱে দেশ কাল পাত্ৰ অনুসৰি একোটা জাতিকে সৃজন কৰিছে। আৰু জীৱন ধাৰনাৰ্থে প্ৰাকৃতিক সকলো দান কৰিছে। ৰৰঙঃখৰ কথা আমি আনৰ সুখ দেখোঁ। অসমীয়া ( বৈজ্ঞানিকৰ মতে কুসংস্কৃত ) বুঢ়াসকলে কয় যে বাঘিৰ খাঁহে গোহালিৰ গৰুৰে বাহি নাহে। ই সচা কথা। যাহক প্ৰভুৰ বিশাল ব্ৰহ্মাণ্ডত মনুষ্য সকলোতকৈ শ্ৰেষ্ঠ জীৱ। আনবোৰ জীৱ সৃষ্টিৰ আদিৰে পৰা একেদৰেই আছে। কিন্তু বৃক্ষমূলক গাতত থকা মানুহৰ পৰা মহৎ অট্টালিকা ও অতি সুন্দৰ সাজসজ্জা কৰি থকাত মনুষ্যমাত্ৰহে পাৰিছে। প্ৰাকৃতিকে যামোচ মাৰি ধৰি থকা হেতেন এনে উন্নতি নহল হেতেন। চৰাইক উৰি যোৱা দেখি উৰি যাবলৈ যত্ন কৰা অধঃপাতৰ লক্ষণ। কোনো শীতপ্ৰধান দেশৰ অধিবাসীয়ে গ্ৰীষ্মপ্ৰধান

দেশত ফিৰ ফিৰ কৰে পাতল কাপোৰ শিক্ষা সভ্যতা অনুকৰণ কৰিলে সি বিপদ তহে পৰিব। দেশ কাল পাত্ৰ চাই কুৰাহে যুগুত।

ভাৰতবৰ্ষৰ হিন্দু সভ্যতা অতি প্ৰাচীন, আন কি এনে মহাভাৰতৰ দিনতো হিন্দুৰ নিচিনা সভ্যজাতি আন ঠাইত নাছিল, বেদ উপনিষদৰটো কথাই নাই। মহাভৰতৰ দিনতো আসাম এখন উচ্চখাপৰ সভ্যদেশ আছিল। প্ৰত্নতত্ত্ববিদসকলে শ্ৰীকৃষ্ণৰ পত্নী ৰুক্মিণীৰ বাপেক ভীষ্মকৰ ৰাজ্য সদিয়া বুলি ধৰে। ভানুমতী গুৱাহাটীৰ ভগদত্তৰ ভনীয়েকহে। মহাপ্ৰতাপী বান ৰজাৰ নগৰ শোণিতপুৰ। এবমাদিক্ৰমে আসাম কোনো গুণে আন দেশতকৈ হীন নহয়। আজিও আসামে কি ধৰ্ম্মে কি কৰ্ম্মে কি নীতি সদাচাৰে কাকো হাত নপতাকৈ চলিব পাৰিছে। চলিব পৰা নাই কোন? বৰ্ত্তমান দিনৰ উচ্চ ও তাঁচা শিক্ষিত ডেকাসকল। যদিও পাচত লিখা হব।

পূৰ্ব্বেৰে পৰা আসামত প্ৰবলপৰাক্ৰমী ৰজাবোৰেহে শাসন শুনা যাই। কিন্তু পবিত্ৰ সলিলা ব্ৰহ্মপুত্ৰ নদে প্ৰত্যেক বছৰি বসন্ত অন্তীত আসামক পবিত্ৰ কৰি আছে। সেই কাৰণেই ৰজাবোৰ বলদৰ্পত উন্মত্ত হৈ অত্যাচাৰ কৰি ধ্বংস পায়। সেই ৰজাৰ কলপ তেওঁৰ দিনতে অস্ত পৰে, আন ৰজা হলে আন কলপ ধৰে। যাহক সকলো বাধা বিঘিনি অতিক্ৰম কৰি বুদ্ধিস্বৰ্গনাৰায়ণ ৰজাৰ দিনৰে পৰা আসামত এটা স্থিৰ কলপ হৈছিল। কিন্তু কি হব আসামত বহুত শনি হল। জয়ধ্বজ সিংহ স্বৰ্গদেৱ বৈষ্ণৱ হল সেই নিমিত্তে আসামত বৈষ্ণৱ ধৰ্ম্ম ভাৱ বৃদ্ধিত হেচা নপৰি এখাপ বেটিকৈহে উঠালে। আকৌ গৌৰীসিংহ শিৱসিংহ এইসকল শাক্ত হল। ধৰ্ম্মক লৈয়ে মাজতে বিবাদ থন লাগিল। মোৱামৰীয়া বিদ্ৰোহ উপস্থিত হল। এই দৰে ঘৰতে কন্দলে শিপালে। ৰাজঘৰতো বিষয়া বৰফুকন ও বুঢ়া গোহাঞিৰ মনান্তৰ ঘটিল। বদন বৰফুকনে নিজৰ বুকু উদঙাই দেখাই মানক সুমোৱাই আসামৰ ধ্বংস সাধন কৰে। চৰায় পাশবাচাৰী মানৰ আক্ৰমনতে অসমীয়াৰ অসমীয়াৰ লোপ পালে। প্ৰজাই ঘৰদুৱাৰ এৰি হাবাৰ অৰণ্যত ঠাই লৈও মানৰ পাশৱ আচাৰৰপৰা হাত সাৰিব নোৱাৰিলে। অসমীয়াৰ অস্ত্ৰ, শস্ত্ৰ, যন্ত্ৰ, তন্ত্ৰ, মন্ত্ৰ, শিক্ষা শিল্প সকলোৰে লোপ পৰিল। চগা চমুৱা গোটাদেক কণমপি সাৰি অসমীয়াৰ নামমাত্ৰ ৰাখিলে। এনেতে মানৰ হাতৰ পৰা অসমীয়া বৃটিশ শাসনাধীন হল। সেই সময়ত অসমৰ এজো বহুতো উৎপন্ন নাছিল। সেই চেন্তে লৈ যিমানে বিদেশী আসামত সোমাল সিমানে আসামত বিদেশী কথাৰো সালে ঠাই পালেহি। আৰু



বৃটিচৰ পৰা কোনো ৰাজকীয় চাকৰি প্ৰাপ্তসকলে তেওঁবিলাকৰ লগত কাম কাজ কৰা বিদেশীসকলৰ আঠো কলপ আহি কাঢ়ি লৈ নগৰীয়া এটা বেলেগ জাত হল পূৰ্ব্বৰ ৰীতি-নীতি ধৰা সকলক চহা বুলি থিনাবলৈ ধৰিলে। এই জাতিভেদেই এনেকৈ শিপালে যে তাক উঘালিবলৈ অস্ত্ৰ জাৰ্ম্মাণেও তৈয়াৰ কৰিব নোৱাৰিলে। এয়ে অসমীয়াৰ অৱনতিৰ মূল। এতিয়া অসমীয়াই যে কাকো কোনো কথাৰ কাৰণে থাটনি নথটাকৈ থাব পাৰিছিল তাক কোনেও দেখিও স্বীকাৰ নকৰা হল। প্ৰাচীন অসমীয়াৰ বুকত কুঠাৰ দিলে "ক" বুলিব নোৱৰা দিনত কৰা কাম আজি M. A. B. A. B. T. প্ৰভৃতিয়ে কেতিয়াও কৰি দিব নোৱাৰে। অৱশ্যে নিন্দা কৰিব পাৰিব। অসমীয়াৰ আন কথা নকলেও হব যে ( বৈজ্ঞানিকসকলে কুসংস্কৃত বোলা) বুঢ়ীবিলাকৰ মগজুও যে বৰ্ত্তমান M. A. L. L. B. প্ৰভৃতিৰ মগজুতকৈ বেচি তেজৰ আছিল, তাৰ বহুত কথা নালাগে, তৎক্ষণাৎ কথাটো দেখিয়েই সাজি যোৱা দি গোৱা যোৱা-নামেই যথেষ্ট প্ৰমাণ কৰিছে। আজিও কুসংস্কৃত বুঢ়ী একোজনীয়ে কীৰ্ত্তন একোখন মুখতে আক শুনি তাক শুনিয়েই মাতিব পাৰে। মহাসভ্য প্ৰতীচ্য বৈজ্ঞানিকসকলে যৱত পঢ়িব, প্ৰকেচাৰে শিকাব, তথাপি দুই তিনিবাৰ ফেল মাৰিব লগাত পৰে। বুঢ়ীৰ একোটা পটন্তৰ কিমান নীতিমূলক সেই পটন্তৰ অবিকল অৰ্থৰ ইংৰাজি প্ৰভাতো নাইকিয়া। চাণক্যৰটো কথাই নাই।

আন কালে আলিৰ কাষত গছৰোৱা, পুখুৰী খনোৱা, গৰখীয়ে খনাই পানী যোৱা আজি কত দিনৰ পাচত প্ৰতীচ্য বিজ্ঞানেও অনুমোদন কৰি সেই মতেই কাৰ্য্য চলাইছে।

অসমীয়াৰ বিহা মেখেলা, কানৰ কেৰু, সোনৰ থাক মহাজনে নাম গোৱা ভোৰ তাল প্ৰভৃতি আজিও যে পৃথিবীত কাৰো লগত নিমিলা হৈ আছে। তাত বাজেও মহৰা পকোৱা জঁতৰ, কুঁহিয়াৰৰ শাল মাৰুনৰা যন্ত্ৰ প্ৰভৃতি অসমীয়াই কাৰো নকল নকৰাকৈয়ে কৰিলৈছিল। যাহলাকৈ কোৱাৰ সকাম নাই। মুঠতে অসমীয়া এটা সম্পূৰ্ণ পৃথক জাতি। অসমীয়াৰ ঘৰ দুৱাৰ, সাজসজ্জা ধৰ্ম্ম কৰ্ম্ম সকলো বেলেগ অথচ কোনো অংশে হীন নহয়।

যাক যেৱা অসমীয়া ডটা নান কথা মনতকৈ চোৱাচোন। তুমি নো কিহৰ দুখীয়া? কি বস্ত এটানোনো তুমি লোকক হাত পাতিব লগা হল? কি বেজাই-

তনো তুমি তোমাৰ কি জাত চিনিব নোৱাৰা হলা। এবাৰ চোৱা তুমি প্ৰকৃততে আত্মহাৰা বাতুল হোৱানে নাহোৱা? ধৰ্ম্ম:—মহাপুৰুষৰ বিমল বৈষ্ণৱ ধৰ্ম্মে গোটেই আসান জুৰি আছে। যোৱা, বৰদোৱা, বৰপেটা, আউনিয়াটী, দক্ষিণ পাট, গৰমুৰ, কুৰুৱাবাহী প্ৰভৃতি সত্ৰত বহি প্ৰভুৰ একান্ত বৈষ্ণৱসকলৰ লগত গুণ কীৰ্ত্তন কৰি নিজকো পবিত্ৰ কৰাগৈ আনকো পবিত্ৰ বৈষ্ণৱ ধৰ্ম্ম শিক্ষা দিয়া। হেৰা শিক্ষিত অসমীয়া দেখিচানে তোমাতকৈ কত অংশে বিদ্যা বুদ্ধিহীন "ক"বুলিব নোৱাৰা মহা-মূৰ্খ বিলাকেও ছকুৰি, সাতকুৰি মানুহ (নিতিবকুটুন, ইষ্টমিত্ৰ, বন্ধহ, পৰিয়াল, ভাইককাই ওচৰচুবুৰীয়া) মানুহ গোটখাই কেনেকৈ বছৰে বছৰে সকলোটি একে হৈ নামঘৰত বহি প্ৰভুৰ গুণ কীৰ্ত্তন কৰিছে? কেনেকৈ মহাপুৰুষৰ সকলৰ তিথিত সকলোটি বহি সেই সকলৰ ধৰ্ম্মাচৰণ কৰি আন্তৰিক কৃতজ্ঞতা জনাইছে। প্ৰকৃততে কৰলৈ গলে যি পুৰুষে যি কাৰ্য্য কৰি যাই সেই পুৰুষক এদিন ধন্যবাদ দিয়াতকৈ সেই কাৰ্য্য নিজে আচৰণ কৰাটোহে শ্ৰেষ্ঠ। বৈজ্ঞানিক সকলে পতা স্মৃতি-সভাই গাৰ্বলীয়া নামঘৰত পতা তিথি মহোৎসৱৰ ওচৰত সমানে যে ঠিয় দিব নোৱাৰেই, শতাংশ হীন হৈয়ো নোৱাৰে, টবে কিমান পুৰণি তথাপি তাক নকৰি কিয়নো মহাপুৰুষসকলৰ তিথি (ইউৰুপীয়ান ষ্টাইল মতে) পাতিব লগা হল? এই দৰে পাতোতে অসমীয়াৰ এটা মহৎ আদৰ্শ নষ্ট হৈছে, তাক কোনো অসমীয়াই ভবা নাই। দেখাক দেখি উজাইছে নাথোন। আৰু বছেৰেকৰ বিহু সংক্ৰান্তিৰ দিনা কেনেকৈ পূৰ্ব্ববৎ সকলোটি মিলি প্ৰভুৰ গুণ কীৰ্ত্তন কৰে সেই সময়ত প্ৰভুৰ প্ৰেমহীন সকলৰো প্ৰেম শিবাই শিবাই বৰলৈ ধৰে। যদি ইয়াত সন্তুষ্ট নহোৱা যোৱা কামাখ্যালৈ, উমানন্দলৈ, ভুবনেশ্বৰী মন্দিৰলৈ অকল কামাখ্যাই পঞ্চতীৰ্থ সাৰ বোলে হেনো তাত শাক্ত শৈৱহৈ কুমাৰী পূজা, মহাপীঠপূজা কৰাগৈ। যদি তীৰ্থ প্ৰয়াসী হোৱা তোমাৰ ব্ৰহ্মপুত্ৰত বাসন্তি শুক্ল অষ্টমীৰ দিনা সকলো তীৰ্থৰ শিৰোমণি বুলি জোবোৰা দিয়াগৈ। পৰশুকুণ্ডলৈ যোৱা। ইমানেও হেপাহ নপলালে নে? হেৰা অসমীয়া সকলো কৰা তেওঁ নাম ঘৰৰ প্ৰথাবোৰ প্ৰতীচ্য শিক্ষা পালেই এৰি দিয়াতো কিমান অন্যায় হৈছে ভাবি নেচোৱানো কেলৈ? নীতি সদাচাৰ প্ৰভৃতিতো আসামে কাকো একো বিচাৰিবৰ আৱশ্যক নাই। আসামৰ নীতি সদাচাৰ আন দেশতকৈ আজিও ওখ হৈ আছে। তালৈ মন কৰিলেই হয়। আসামক প্ৰাগ্‌জ্যোতিষপুৰো বোলাযায় তাৰ দ্বাৰাই বুজিব লাগে। জ্যোতিষাদি চৰ্চ্চাতো আসাম হীন নাছিল। আজিও ভালকৈ সংস্কৃত নজনা গণকে অনেক আচৰিত গণনা কৰিব পাৰে।



সমাজ নীতিতো অসমীয়া হীন নহয়। কাৰণ প্ৰতীচ্য শিক্ষাৰ পোহৰ পাওঁতা ব্ৰাহ্মণ সকলে অগ্নিভাঙ্গি, পুতলা পূজা, ডিঙিত সূতাদাল মেৰাই ফুৰাৰ একো লাভ নাই এইটো কথা বেচ বুজিও নানা আলোচনা কৰিও তথাপি সন্ধ্যাবিধি কৰক নকৰক তেওঁ যজ্ঞসূত্ৰ নলৈ পৰা নাই। জাতিভেদ অসাৰ, ইয়াৰ দ্বাৰা উন্নতিৰ বাট বন্ধ হয় ইত্যাদি নানা আন্দোলন কৰি কলজত বাচ-বিচাৰ এৰি থাইও আজিলৈকে দেখাদেখিকৈ কোনেও শূদ্ৰ ৰান্ধনি এটাৰ ৰন্ধা ভাত খাব পৰা নাই। গাৱঁত যে সমাজৰ বান্ধ অতি ডাঙৰ তাক নকলেও হয়।

ৰাজনীতি চৰ্চ্চাত অসমীয়া হীন নাছিল। বুৰঞ্জীবিদ প্ৰত্নতত্ত্ববিদ সকলে তাক দেখুৱাব লাগিছে।

কৃষিশিল্পতো অসমীয়া হীন নাছিল। গোটাদেক অসমীয়াৰ অকলসৰীয়া শিল্পৰ উল্লেখ কৰা হল। কোনেও অপ্ৰিয় সত্য বুলি নিন্দা নকৰিব যেন। মুগা—এটা পোকৰপৰা উৎপন্ন হোৱা সূতা। দেখিবলৈ বিলাতি "তসৰৰ" নিছিনা। বৰ টান, চিকচিকিয়াও। অসমীয়াৰ সাজপাৰৰ প্ৰধান সজুলি। বিশেষকৈ মাইকী মানুহৰ। বঙ্গালি বিজ্ঞাপনদাতাই কব যে "এই শাড়ী পড়িলে বৃদ্ধাও যুৱতী হয়।" ঠিক কথা, মুগাৰ বিহা মেখেলা যোৰ পিন্ধিলে বুঢ়ীকো গাভৰু যেন দেখায়। কিন্তু বৰ দুঃখৰ কথা যে বৰ্ত্তমান শিক্ষিত সমাজে নিজৰ গৃহলক্ষ্মী সকলক শ্ৰীৰামপুৰ, ফৰাসডাঙ্গা প্ৰভৃতিৰ ফিৰফিৰকৰে পাতল মকৰা জাল যেন শাড়ী পিন্ধাই বেহৰূপ চাবৰ অভিপ্ৰায়ে মাইকীৰ লাবণ্য বৃদ্ধিকাৰক মুগাৰ বিহা মেখেলা থহোৱাই শাড়ীতে চেওঁটো থলে। শাড়ীৰ উৎপাতত ঠাৰবীৰ নোৱাৰি চেমীজ ললে। এই দৰেই মুগালৈ আগ্ৰহ কমি আহিল। সেই চেলু চাই খাছিয়াই মুগা সূতা মুগা কাপোৰ কিনি ওৰ পেলালে। এতিয়া এপোৱা মুগা সূতাৰ দাম ৫৲ টাকা হল। তেতিয়া সেৰে ৮।১০ টাকা আছিল। বৰ্ত্তমান বাবু সম্প্ৰদায়ে মুখ বিদৰাই কয় যে পোৱাই ৫৲ টাকাকৈ কেনেকৈ মুগাৰ কাপোৰ দিব্য। সেই কাৰণে শাড়ীকে পিন্ধোৱা হৈছে। কিন্তু বিদেশী শাড়ী চেমীজ জাকিটত যে কিমান টকা মুডীয়ে আদায় কৰিছে বাবুসকলে তাঁৰ গম লব ন্যপাই অৰ্থাৎ নলয় বা লব লগা নহয়। কাৰ দোষত মুগা লোপ পালে? এবাৰ ভাবি চালেই হয়।

অসমীয়া পাট :—ই ও এৰিধ পোকৰ সূতা দেখোঁতে, যেনে চিকোণ, গুনতো তেনে তথাপি ভদ্ৰ মহিলা সকলে ফিৰ্‌ফিৰিয়া বঙ্গালি পাট আনি থাৰ কাঢ়ি ৪ ডলীয়া ৫ ডলীয়া কৈ কাপোৰ বৈছেহি। তথাপি অসমীয়া এডলীয়াকৈ বৰ্তৈলেকে টান পাইছে। এই দৰেই অসমীয়া পাটবো অৱস্থা বাবু সম্প্ৰদায়ৰ দোষতে শোচনীয়।

এৰি :—ইও এৰিধ পোকৰ সূতা। ই বৰ টান ইয়াৰ এটা আচৰিত গুন যে গৰমত চেচা জাৰত গৰম। মুগাকুলিয়া এৰিয়া কাপোৰ এখন অন্ততঃ ৪০ বচৰ যায় আৰু বিলাতি "ৰগতকৈ" কেতিয়াও হীন নহয়। দাম বৰ্ত্তমান দিনত ১২।১৫ টাকা আগৰ ১০৲।৮৲ আছিল। কম্বল, ৰগ, আলোৱানৰ যেনে ধুম উঠিছে নিচেই অলপদিনতে এৰিও যে লোপা নাপাব তাৰ সন্দেহ নাই।

মেজাঙ্কৰী। ই পাট সূতাৰ নিচিনা এৰিধ সূতা, আগৰ ভাল মানুহৰ ভিতৰত এটা প্ৰধান আদৰৰ সামগ্ৰী। কপাহী সূতা :—আগৰ কপাহো অসমীয়াৰ বাৰিয়ে বাৰিয়ে, সূতা কটাও ঘৰে ঘৰে। বৰ দুঃখৰ কথা যে শিক্ষিত সম্প্ৰদায়ৰ ভিতৰত বৰ্ত্তমান দিনত ব্ৰাহ্মনৰ যজ্ঞসূত্ৰৰ সূতাও কিনি লব লগাতহে পৰিছেহি।

শ্ৰীভিকহ।

---

## ব্যৱধান।

সি পাৰত তুমি আৰু ইপাৰত মই
দুয়োৰে মাজত অতি স্ৰোতস্বতী নই।
যদিও পাৰলৈ লগ আছে ইচ্ছা বড়
জানো নিয়ো বৃথা চেষ্টা সামান্য নহয়।
তুমি স্বৰগৰ তৰা ক্ষুদ্ৰ নৰ মই
ধৰিবা নহয় ইয়ো অসাধ্যও হয়
তথাপি নেমানে মনে, ভাবেও নলয়
ইচ্ছা আছে সিপাৰত মিলিম নিশ্চয়॥

শ্ৰীৰামানন্দ বৈশ্য।

---



## এখন চিঠি।

এই পত্ৰৰ দ্বাৰাই সকলো সম্ভ্ৰমস্ত ভদ্ৰাভদ্ৰ ব্ৰাহ্মণ বৈষ্ণৱগুণী জ্ঞানীসকলোৰে ওচৰত আমি এটা প্ৰাৰ্থনা জনাওঁ যেন আমাক তলত লেখা কথাৰ কাৰণে কোনেও দোষ নধৰিব আৰু আমাক কোনেও শিকাই দিয়াও নাই নিজ বুদ্ধিৰেহে লিখিছোঁ।

আমাৰ দেশত বামুণৰ বাৰী ছোৱালীবিলাকৰ গৰ্ভ হলে কেৱল মাত্ৰ ছোৱালী বেয়া হয়। গৰ্ভোৎপত্তি কৰ্ত্তা পুৰুষজন এঠাইত শপত খাই উদ্ধাৰ হয়। ছোৱালী জনীয়েও যদি গৰ্ভ নষ্ট হোৱা বা গৰ্ভোৎপত্তি নোহোৱা কোনো ঔষধাদি প্ৰয়োগ কৰিব পাৰিলে, ছোৱালী জনীও সমাজতে থাকে। ডাঙৰ মানুহৰ হলে এই কথা কোনেও বাহিৰকে নকৰে। ভিতৰ বিশ্বাসে কোনোৱে প্ৰায়শ্চিত্ত হয়, কোনোৱে ঠাপে গোপে ঠাকে এই দৰেই আমাৰ দেশখন প্ৰায় সৰ্ব্বনাশ প্ৰাপ্ত হয়।

অতএৱ এটা নিয়ম কৰি সেই কন্যা জনী নিব পৰা উপায় বা স্বজাতত থাকিব পৰা উপায় কৰা ভাল।

আমাৰ মতে তলত লিখা উপায়েই ভাল।—যি সকলে বাৰী ছোৱালী নিয়ে সেই সকল দ্বিতীয় বা তৃতীয় শ্ৰেণীৰ ব্ৰাহ্মণ হৈ থাকিব, তেওঁসকলৰ ছোৱালী আমি নানো আমাৰ ছোৱালীও তেওঁলোকক নিদিওঁ আৰু তেওঁ লোকক ডেউৰি বিলনিয়াৰ আমি নলওঁ। বৰ্ত্তমান কালত সূত কুলিয়া জাতিৰ পুৰুহিত ব্ৰাহ্মণৰ লগত যেনেকৈ চলা ফিৰা কৰা হইছে তেওঁ বিলাকৰ লগতো সেই দৰেই চলা হব। আমি সেই সকলক দক্ষিণা দিম, ভিতৰত থাকিলে, পানি আদিও নেপেলাওঁ। বিশেষতঃ ডাঙৰ সত্ৰৰ মটিকৃত পুঁজা কৰি থাকোতেই সূত কুলিয়া মানুহে সেৱা কৰে এনেকৈ কোনো কোনো ঠাইত দেখা যায়। গণক জাতিৰ ভিতৰত কিছু মানে চলাইছে সেই বিলাকৰ দক্ষিণা ভেজনী গ্ৰহণ কৰে। দাতাসকলো দিবলৈ কুণ্ঠিত নহয়।

অকৃতজ্ঞোনীক শাস্ত্ৰমতে নিব পাই বুলি আছে আৰু বিশেষতঃ ঘৈনীয়েক মৰিলে মটাটোৱে ৪।৫জনীও বিয়া কৰাই কিন্তু গিৰিয়েক মৰিলে ঘৈনীয়েকে আজন্ম প্ৰভৃতি কষ্ট ভোগ কৰে। ৮ বছৰৰ পৰা মাইকীৰ বিবাহো দেখিছে। ইয়াৰ দ্বাৰাই গ্ৰন্থকাৰসকল পুৰুষ থকা শক্তিক নতুবা স্বাৰ্থপৰ বুজাই।

যি সকলে এই বিষয়ে কোনো আপত্তি কৰে তেনে জানিবলৈ দিব।

যাতে সমাজৰ উন্নতি হয় তাৰ চেষ্টা কৰা উচিত, আমি সুতৰ মাজতে থাব লগাত পৰিছোঁ কাৰণেহে লিখিলো।

শ্ৰীদ্বাৰিকানাথদেৱ গোস্বামী।

---

## বাঁৰী বামুণীৰ বিলাপ।

( ১ )

কেলেই হে বিধাতা আমাকে সৃজিলে,  
অসম ভূমিত বামুণী কৰিহে?

( ২ )

কি পাপৰ ফলে আজীৱন দুঃখিনী  
কৰিলা অ গোঁসাই জগতৰ নাথ হে!

( ৩ )

হে ৰায় বাহাদুৰ, দয়াৰ সাগৰ, গুণৰ আধাৰ,  
এই দুঃখ নসহে!

( ৪ )

যি দেশৰ কাৰণে দিনে ৰাতি চিন্তা,  
সেই দেশৰ এভাগ আমিও নহওঁনে?

( ৫ )

আমাৰনো কি বিলাই তুমি নেজানানে?  
তেনে তোমাৰ হিয়া নপমে কেলেই হে?

( ৬ )

সাহে ভৰ কৰা, বাৰেক আগবাঢ়া  
কীৰিতি অমৰ, জগতত ৰাখা হে।

বিধবা—শ্ৰীকৃষ্ণকান্তী।

---



## বিবিধ টোকা।

( ১ )

৪০৯ খৃষ্টাব্দত বেনল্ট (Benalt) নামেৰে এজন সন্ন্যাসীয়ে ইংলণ্ডত পোন প্ৰথমে কাচ প্ৰস্তুত কৰে। সেই সময়ত সোণতকৈও কাচৰ দাম সৰহ আছিল।

( ২ )

ইংলণ্ডৰ বিশ্ববিখ্যাত কেম্ব্ৰিজ বিশ্ববিদ্যালয় (University of Cambridge) ৯১৫ খৃষ্টাব্দত স্থাপিত হয়।

( ৩ )

ফৰাচী দেশৰ ৰজাৰ আমোদৰ নিমিত্তে সেই দেশৰে এজন বুদ্ধিয়ক মানুহে ১৩৯১ খৃষ্টাব্দত তাচ প্ৰস্তুত কৰি পোন প্ৰথমে তাচ খেলাৰ প্ৰচলন কৰে।

( ৪ )

মেম্‌নন্ (Memnon) নামেৰে এজন মিচৰ (Egypt) বাসীয়ে খৃঃপূঃ ১৮২২ চনত মুদ্ৰাযন্ত্ৰৰ আখৰ (Type) পোনপ্ৰথমে আবিষ্কাৰ কৰে। তাৰ আগেয়ে মুদ্ৰাযন্ত্ৰৰ ব্যৱহাৰ যোগ্য আখৰ আবিষ্কাৰ হোৱা নাছিল।

( ৫ )

মিচৰ দেশৰ অন্তৰ্গত আলেকজেন্দ্ৰিয়া নগৰৰ বিশ্ব-বিখ্যাত আলেকজেন্দ্ৰিয়ান্ পুস্তকালয় (Alexandrian Library) খৃষ্ট পূৰ্ব্বে ৫২ অব্দত জুই লাগি ভস্মীভূত হয়। তাত চাৰি লক্ষ দুষ্প্ৰাপ্য আৰু মূল্যবান কিতাপ আছিল।

( ৬ )

ভাৰতবৰ্ষৰ পৰা ২৭৪ খৃষ্টাব্দত ইংলণ্ড দেশলৈ পোনপ্ৰথমে ৰেচম ৰপ্তানী হৈছিল। পাচত কিছুমান পৰিব্ৰাজকৰ যত্ন আৰু উদ্যোগত ৫৫১ খৃষ্টাব্দত ইয়োৰোপত পোনপ্ৰথমে ৰেচমৰ কাৰখানা স্থাপিত হয়। ইংলণ্ডৰ এজন পাদ্ৰীয়ে ১৫৩৪ বেচমী কাপোৰ পিন্ধে। তাৰ আগেয়ে ইংলণ্ডৰ কোনেও ৰেচমী কাপোৰ পিন্ধা নাছিল।

( ৭ )

ইংলণ্ডত সেই দেশৰ সঙ্গীতৰ স্বৰলিপি ১০৭০ খৃষ্টাব্দত ৰচিত হৈছিল। ইয়াৰ আগেয়ে তাৰ মানুহে স্বৰলিপিৰ অৱগত নাছিল।

(৮)

১৫০৫ খৃষ্টাব্দত চিলিঙৰ প্ৰচলন হয়। (Shilling—ইংলণ্ডৰ ৰূপৰ মুদ্ৰা। বৰ্ত্তমান সময়ত ইয়াৰ মূল্য ৸০ অনা)।

(৯)

ৰেচমী মোজা ইয়ুৰোপত পোন প্ৰথমে ১৫৪৩ খৃষ্টাব্দত ফৰাচী দেশৰ অধিশ্বৰেই ব্যৱহাৰ কৰিছিল। তাৰ বহু দিনৰ পাচত ইংলণ্ডৰ ৰাজ্ঞী এলিজাবেথে (Queen Elizabeth) ১৫৬১ খৃষ্টাব্দত ৰেচমী মোজা ব্যৱহাৰ কৰে। সেই সময়ত ৰেচমী মোজা বৰ দুষ্প্ৰাপ্য আৰু গৌৰৱৰ ও বিলাসৰ বস্তু আছিল।

(১০)

১৫৮৩ খৃষ্টাব্দত ইংলণ্ডলৈ পোন প্ৰথমে মাৰ্কিণৰ ভাৰজিনিয়া (Verginia) দেশৰ পৰা ধপাতৰ আমদানী হৈছিল।

(১১)

১৫৯৭ খৃষ্টাব্দত জৰ্ম্মণীৰ পৰা ইংলণ্ডলৈ পোন প্ৰথমে জেপঘড়ি (Watch) ৰপ্তানী হৈছিল। ইয়াৰ পূৰ্ব্বে ইংলণ্ডবাসীসকলে ঘড়িৰ ব্যৱহাৰ নেজানিছিল।

(১২)

১৬৬৫ খৃষ্টাব্দত লণ্ডন নগৰত ভীষণ মহামাৰীৰ প্ৰকোপত ৬৮,০০০ মানুহ মৃত্যু-মুখত পতিত হৈছিল।

(১৩)

১৬৬৬ খৃষ্টাব্দত লণ্ডন নগৰত ভীষণ জুই লাগিছিল। চেপ্তেম্বৰৰ ২ তাৰিখৰ পৰা ৪ তাৰিখলৈকে তিনি দিন জুই জ্বলি আছিল আৰু তাৰ ফলত ১৩০০০ অট্টালিকা আৰু ৪০০ ৰাজ আলি একেবাৰে ধ্বংস হৈ গৈছিল।

(১৪)

খৃঃ ১৬৬৬ চনত ইংলণ্ডত পোন প্ৰথমে চাহ প্ৰচলিত হৈছিল। তেতিয়া চীন দেশৰ পৰা চাহ ৰপ্তানী হৈছিল।

(১৫)

১৮২০ খৃষ্টাব্দৰ ২৯ মাৰ্চ্চত, সুপ্ৰসিদ্ধ ডাক্তাৰ পেলিটিয়াৰ দ্বাৰা পোনপ্ৰথমে কুইনাইন আবিষ্কৃত হয়। কুইনাইন মেলেৰিয়াৰ ভাল দৰব।*

শ্ৰীদামোদৰ হাজৰিকা।

* তপোবনৰ পৰা উদ্ধৃত।



# বাটচৰা।

অল্পতে জেষ্ট্ৰ নামৰ এজন ডাঙৰ ইউৰুপীয়ান অধ্যাপকে টোপনি ৰহস্যৰ সম্ভেদ লোৱাত মটা মাইকীৰ টোপনিত বহুত ব্যতিক্ৰম থকা পাইছে। মাইকীতকৈ মটাৰ সোনকালে টোপনি আহে কিন্তু মাইকীৰ টোপনি বৰ দুৰ্ঘোৰ হয় আৰু তাহাতে লাসকালহৈ শোৱে। নিশাত মতাৰ অকল আধা ঘণ্টা মান সময়হে টোপনি মাইকীতকৈ গাঢ় হয় কিন্তু সেই টোপনি তৎক্ষণাতে ভাঙে আৰু ভাগিলে পিছত টোপনি পাতল হয়। এই টোপনি ক্ৰমাৎ ভাঙিবাৰ পোৱা অৱস্থালৈ আহে আৰু আগৰ টোপনি ভগাৰ দৰে সাউত কৰে যাব নেপায়।

***

নিশাৰ প্ৰথম ছোৱাৰ টোপনি পাছৰ ছোৱা টোপনিৰ তিনি জোখৰ সমান। আগনিশাৰ টোপনিয়ে যিমান মনত আৰু শৰীৰত বিশ্ৰাম দিব পাছ নিশাৰ টোপনি হাজাৰ ভাল হলেও সিমান দিব নোৱাৰে। ইয়াৰ পৰা বুজিব নেলাগে যে মাজ নিশাৰ লগত টোপনিৰ কিবা গুপুত তত্বৰ সম্বন্ধ আছে। আচল কথা হৈছে এইটোহে আগনিশা শুলে যেনে ভাল টোপনি হয় পাছ নিশা তেনে নহয়। এতিয়া দেখা গল যে টোপনিতেইহে কথা; আগ নিশা, পাছ নিশা বা মাজ নিশাৰ কোনো কথা নহয়। আগৰ কালৰ মানুহে মাজ নিশাৰ অন্ততঃ দুঘণ্টাৰ আগেয়ে বিছনাত পৰে। শোৱাৰ এঘণ্টা কি ডেড় ঘণ্টাৰ ভিতৰত কোনো মানুহক জগালে তাৰ বৰ অনিষ্ট কৰা হয়। এই সময়ৰ পিছত জগালে অৱশ্য কোনো হানি নাই। কাৰণ প্ৰথম ডেড় ঘণ্টা শোৱা বুলিলে নিশাৰ পাছদখৰত লাহে লাহে সাৰ পাবলৈ যতন কৰা বুজায়। টোপনিৰ পৰা চকামকাকৈ উঠিলে কোনো 'ইঞ্জিন' হঠাৎ আওপাকে ঘুৰাই দিয়াৰ নিচিনা হয়। ই শৰীৰৰ ভিতৰৰ যন্ত্ৰবিলাকত অতৰ্কিতে বেয়া ৰকমে হেঁচোক মাৰে বা খুন্দা লগায়। শোৱাৰ আধা ঘণ্টাৰ ভিতৰতে মতা মানুহৰ ভাল টোপনি হয় আৰু এঘণ্টাৰ ভিতৰত সেই টোপনি ডাঠ হয়। টোপনি ডাঠ হোৱা মাত্ৰকে ইমান বেগাই ই পাতলিবলৈ ধৰে যে পাছৰ ডেড় ঘণ্টাৰ ভিতৰতে শোৱা মানুহটো টোপনি ৰাজ্যৰ পৰা ওলাই আহে, তৃতীয় ঘণ্টা পুৰা হওঁতেই তাৰ টোপনি ইমান কম হয় যে কোনো এটা সামান্য শব্দ হলেই সি সাৰ পায়। মাইকী মানুহৰ টোপনি শোৱাৰ এঘণ্টাত হে

ডাঠ হয় আৰু ঠিক তেতিয়াই মতা মানুহৰ দৰে বাহিৰত কি হৈছে নহৈছে কব নোৱৰাহৈ নপৰে। কিন্তু মাইকী মানুহৰ গাঢ় টোপনি বহুত পৰলৈকে থাকে। শোৱাৰ তৃতীত ঘণ্টাত মতাৰ যেতিয়া এক ৰকম সাৰপোৱা অবস্থা হয় মাইকীৰ তেতিয়া টোপনি পাতল হবলৈহে ধৰে। শোৱাৰ পৰা ৫ ঘণ্টা নহয় মানে মাইকীৰ টোপনি ভঙাৰ চিন পোৱা নেযায়। ৰাতিপুৱাৰ সাৰ পোৱা-নোপোৱা-অবস্থাতো মতাৰ আৰু মাইকীৰ বহুত বিভিন্নতা আছে। মতা আৰু মাইকী দুইও একে দৰেই একে সমানে সপোন দেখে। মাইকী আগ্রহে ঘপ্ কৰে সাৰ পাই কাৰণে সপোনৰ কথা মতাতকৈ বেছিকৈ সোঁৱৰে; তাঁহাতৰ মনত স্বপ্নৰ কথা চকুৰ আগত দেখা বস্তুৰ নিচিনা হৈ থাকে। মতা মানুহৰ পক্ষে হলে স্বপ্নৰ কথা লৰাই চিলতত আঁকি মাছি পেলোৱাৰ নিচিনা হয়; তাহাতে অসংলগ্ন ভাবে দুই এক কথা থস্তেকলৈ সুৱঁৰি পাহৰি যায়। ৰবকৈ শোৱা কথাতো মতা মাইকীৰ একে নহয়। মাইকী মানুহে ৮ ঘণ্টাতকৈও বেছি শুলেও তাঁহাতক অপকাৰ নকৰে কিন্তু মতাৰ নিমিত্তে হলে ই বৰ হানিজনক হব। তৎক্ষণাৎ টোপনি ভঙাৰ গতিকে মাইকী মানুহক অতিপাত শোৱনেও একো অনিষ্ট নকৰে। মাইকী মানুহে অনায়াসে ১০ ঘণ্টা লৈকে শুব পাৰে আৰু শুলেও তাঁহাতৰ একো বিকাৰ নহয়।

***

এজন ইংৰাজ চিকিৎসকে বনৰ থলিত থানত সোমাই বণ কৰা বহুত টপা মুৰীয়া মেনাৰ চুলি গজা দেখিছে। ইয়াৰ পৰা তেওঁ বুজিছে যে মুকলি থাইত মুকলি বতাহ পানী মুৰত লাগিলে চুলি গজাত বৰ সহায় কৰে। এনে উজু আৰু সহজে পোৱা ঔষধ আমাৰ টপা সকলে কিয় ব্যৱহাৰ কৰি নেচাব?

৺প্রেমধৰ চলিহা।

---



# ডাঙৰীয়া হৰিবিলাস আগৰৱালা।

আসাম-আকাশৰপৰা এটি উজ্জ্বল তৰা খহিল। আমাৰ প্রিয় বন্ধু, সম্মানৰ পাত্র, তেজপুৰৰ বিখ্যাত হৰিবিলাস আগৰৱালা ডাঙৰীয়া আৰু নাই। যোৱা ১৮ নবেম্বৰ তাৰিখে তেখেতৰ মৃত্যু হল। পুৰণি আৰু নতুন আসামৰ সন্ধিস্থলত তেখেতৰ জন্ম আৰু কাৰ্য্য। এনে অমায়িক, সত্যবাদী, ধাৰ্ম্মিক আৰু কাৰ্য্যকুশল লোক সদায় পোৱা নাযায়। আমি তেখেতক হেৰুৱাই মৰ্ম্মান্তিক শোক পাইছোঁ। আশা কৰোঁ তেখেতৰ জীৱনী কোনো লোকে ভালকৈ লেখি বাঁহীত ছপাবলৈ পঠিয়াব।

সম্পাদক।

---

## গদ্য কবিতা।

### মোৰ লগৰীয়া।

মই অকলশৰীয়া, মোৰ কোনো লগৰীয়া নাই। মই নিজেই নিজৰ কামত ব্যস্ত থাকোঁ, অইনৰ ফালে চাবলৈ মোৰ সময় নাই। মই অকলৈ অকলৈ ফুৰোঁ, হাহোঁ, কান্দো আৰু অকলৈ আপোন মনতে নিজেই নিজৰ লগত কথা পাতোঁ। জীৱনত মোৰ ইয়াকেই ভাল লাগে, অইনৰ লগত বিশেষ মোৰ একো সমন্ধ নাই। ভাবিছিলোঁ অইনৰ সুখ দুখলৈ আওকাণ কৰি এনেদৰেই জীৱনটো কটাই দিম।

কিন্তু হঠাতে এদিন বসন্তৰ প্রথম পুৱাতে সাৰ পাই উঠি দেখোঁ যে মোৰ খেমালি কৰা ঠাইডোখৰৰ ওচৰতে আৰু এজন কোনোবা আহি বহি আছেহি।

মই শুধিলোঁ "তুমি কোন? তোমাক কি লাগে? ইয়াৰপৰা গুচি যোৱাঁ।" তেঁও দেখোন মোৰ কথাৰ উত্তৰকে নিদিলে; মাথোন অলপ মিচিকীয়াই হাঁহিলে। অলপ পৰৰ পিছতে মোৰ মনত হ'ল যে তেঁওক খেদাই দিবৰ কোনো দৰকাৰ নাই, তেঁও তেঁওৰ কাম কৰক, মইও মোৰ কাম কৰোঁ। এদিন তেঁওক কলোঁ "বাৰু তুমি মোৰ খেমালি কৰা ঠাইডোখৰৰ অকণমান লব পাৰাঁ, কিন্তু বাকীডোখৰ মোৰ তাত তোমাৰ অধিকাৰ নাই।"

তেঁও মাথোন অলপ হাঁহিলে। এদিন দেখিলোঁ যে তেওঁ মোৰ ঠাইডোখৰটো সোমালেহি। মই তেতিয়াই তেঁওক তাৰপৰা খেদাই দিলোঁ, তেওঁ কান্দিবলৈ ধৰিলে।

বেজাৰ লাগিল। গোটেইভোথৰ ঠাই এৰি দিলোঁ, কলোঁ, "তুমি ইয়াতে থাকা মই যাঁও"।

তেঁও কলে, "মইও তোমাৰ লগতে যাম"।

"সেইটো হ'ব নোৱাৰে"। এই বুলি মই অকলৈ অকলৈ ওচি আহিলোঁ।

জহকালি, দুপৰীয়া, বৰ ঘাম, পিয়াহত তত নাই! হায়! হায়! কিয় মই ঘৰ এৰি আহিছিলোঁ।

দুপৰীয়াৰ সূৰুযে লাহে লাহে পচিমলৈ ঢাল ললে। নিৰ্জ্জন মুকলি পথাৰত লাহে লাহে আন্ধাৰ নামিবলৈ ধৰিলে। মই অকলেই সেই আধা পোহাৰ আধা ছাঁত ভাগৰত লালকাল হৈ পৰি আছোঁ, এবাৰ ভাবিলোঁ যে তেঁও যদি এতিয়া কাষত থাকিলহেঁতেন।

আকাশ ডাৱৰে ঢাকিলে, ঘনে ঘনে বিজুলীয়ে চকমকাবলৈ ধৰিলে, ভয়ত প্ৰাণ কঁপিবলৈ ধৰিলে, মুখত মাত নোলোৱা হ'ল। তথাপি বলেৰে এবাৰ প্ৰাণ ৰক্ষাৰ কাৰণে তেঁওক মাতিলোঁ।

তেঁও আহিল। এবাৰ মাতোঁতেই তেওঁ ক'ৰপৰা আহি মোক আদৰেৰে সাবটি ধৰিলেহি মই ক'ব নোৱাৰোঁ। নিজৰ ভনীৰ দৰে, মাতৃৰ দৰে, প্ৰিয়তমাৰ দৰে, মোৰ যত্ন কৰিবলৈ ধৰিলে, এবাৰ ভাবিলোঁ এওঁ কোন?

শুধিলোঁ "তুমি কোন? তোমাক কি লাগে?"

তেঁও মোৰ কথাত উত্তৰ নিদি মোক আথেবেথে তাৰপৰা তুলি আনি এটা পুখুৰীৰ পাৰৰ এখন ফুলনিৰ মাজত বহুৱালেহি, আৰু কলে "মই কোন তোমাক পিছত কম।" মই আকৌ শুধিলোঁ "তুমি কোন? মোৰ ইমান যত্ন কৰিছা কিয়? তোমাক কি লাগে?"

কোনে যেন কৰবাৰপৰা গহীন সুৰেৰে মাত লগালে "তোমাৰ প্ৰাণ।"

"উহুঁ, সেইটো হব নোৱাৰে। প্ৰাণ দিব নোৱাৰোঁ।" "তেন্তে একোকে নেলাগে"—কিন্তু অলপমান কিবাকিবি এটা দিয়া উচিত ইয়াকে ভাবি মই মোৰ হাতৰ আঙুঠিটো সোলোকাই দিলোঁ। তেঁও তাক পুখুৰীৰ পানীত দলিয়াই পেলাই তাৰপৰা ওচি গ'ল।

মই আকৌ ভাবিলোঁ, প্ৰাণ—মোৰ সৰ্ব্বস্ব—তাক দিব নোৱাৰোঁ।

গোটেই ৰাতি সেই ফুলনিৰ ভিতৰতে কটালোঁ। পুৱা যেতিয়া জগতে নতুন সূৰুযৰ কিৰণত হাহিবলৈ ধৰিলে, আকাশ বতাহ ক'তো বিপদৰ অকণো সম্ভাৱনা



নাই, তোতিয়া মোৰ তেঁওলৈ মনত পৰি বৰ বেজাৰ লাগিল। আকৌ এবাৰ তেঁওক মোৰ তেঁওলৈ মনত পৰি মাতিলোঁ, তেঁও আহিল, মই কলোঁ "মই মোৰ প্ৰাণ তোমাক দিম।"

তেঁও শুধিলে "হাঁহি হাঁহি মৰিব পাৰিবা নে?"

জগতৰ এই সুন্দৰ সময়ত, জীৱনৰ এই শুভ মুহূৰ্ত্তত যেতিয়া কোনেও মৰিবলৈ ইচ্ছা নকৰে তেতিয়া মই নিৰ্ভয় মনেৰে সমিধান দিলোঁ "তোমাৰ কাৰণে মই হাঁহি হাঁহিও মৰিব পাৰিম"। তেঁও তেতিয়া উত্তৰ দিলে "মোৰ নাম প্ৰেম। তুমি মৰিব নেলাগে"।

## বৰষুণ।

আজি গোটেই দিনটো বৰষুণ। সোঁ সোঁ কৰে বতাহ আহিছে। বৰষুণৰ শবদৰ বাহিৰে কতো একো শুনা নেযায়।

আকাশ ডাৱৰেৰে ভৰা, বতাহ বলিয়া হৈছে,লগে লগে গছবোৰো বলিয়া হৈছে।

পথাৰ, পুখুৰী, আলিবাট, সকলোতে পানী ভৰি পৰিছে, চাৰিও ফালেদি পানী অবাধে বাগৰি যাবলৈ ধৰিছে। নতুন পানী পাই ভেকুলীবোৰে মহা ৰঙেৰে চিয়ঁৰিবলৈ ধৰিছে। সিহঁতৰ মাত গোটেই জগত ভেদি গৈছে. কোনেও সিঁহতৰ আনন্দত বাধা দিব পৰা নাই, সিহঁতে মুকলি মনেৰে জগতৰ এই আনন্দ ভোগ কৰিছে।

আকাশত বিজুলী জিলিকি উঠিছে, কোনেও বাধা দিব পৰা নাই। পুখুৰীত মাছৰ পোনাজাকে মুকলি মনেৰে ধেমালি কৰি ফুৰিছে।

ফুলনিৰ ফুলথিনিয়ে বতাহত হালিছে-জালিছে। সিঁহতৰ ৰঙা হালধীয়া নানাবৰণত ফুলনিখনি উজ্জ্বল হৈ পৰিছে; সিহঁতে ৰঙতেই মুকলি মনেৰে নিজ নিজ শোভা বিস্তাৰ কৰিছে। সিহঁতৰ ৰঙৰো সীমা নাই, সৌন্দৰ্য্যৰো সীমা নাই। সকলোৰেই মুক্ত, ক'তো অকণো বাধা-বন্ধন নাই।

মাথোঁ মই এই জগতত নিজেই নিজৰ বান্ধত পাক খাই আছোঁ, মোৰ শক্তি নাই, সামৰ্থ্য নাই। আজি প্ৰকৃতিৰ সকলোৰেই মুক্ত। কেনে মুকলি মনেৰে সকলোৱে নিজক জগতৰ আনন্দৰ মাজত বিলাই দিছে।

মই মাথোঁ দেখিছোঁ, বুজিছোঁ, কিন্তু ক'তা সিহঁতৰ দৰেতো হ'ব পৰা নাই।

আজি গোটেই জগৎ আনন্দত বলিয়া, সকলোৰেই মুকলি, মাথোঁ মই নিজেই গঢ়া শিকলিৰে নিজক বান্ধি থৈছোঁ।

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

# বিলাতৰ কথা।

অলপ পৰৰ পাছত মোক হাইগেটত থবলৈ অহা মানুহজন গুচি গ'ল। বিদেশী মানুহৰ লগত একেবাৰেই অকলৈ পৰিলোঁ। স্পীয়েৰ্চ পৰিয়ালৰ আটায়ে যিহতে মই সন্তোষ মনে থাকিব পাৰোঁ, একো অসুবিধা কি অঁাসোৱাহ নেপাওঁ তাকে কৰি ভাল ঠাইত বহুৱাই মোৰ সৈতে নানান্ কথা পাতিবলৈ ধৰিলে। মোৰ কিন্তু তিমান ভলা লগা নাছিল। একেবাৰেই ইংৰাজৰ লগত তেনেকৈ থকা, কথা কোৱা খোৱা এয়ে প্ৰথম। এই ভাবটো কথাত প্ৰকাশ কৰিব নোৱাৰি। অৱশ্যে হোটেল, জাহাজত খাইছিলোঁ, কিন্তু সি খোৱা স্বাধীনভাবে খোৱা, তাত কিবা নিয়মৰ ব্যতিক্ৰম হলেও কাৰো তিমান ক্ষতি নাই। একে পৰিয়াল হৈ খোৱা এয়ে প্ৰথম।

তেওঁলোকে আঠ কি সাৰে-অঁাঠ বজাত শেহ খোৱা খাইছিল। এজনী লিগিৰীয়ে খোৱাবোৱা বস্ত-বেহানিবোৰ এখন ট্ৰেত কঢ়িয়াই আনি দেৱালৰ কাষত থকা এখন মেজ-আলমাৰিত ( Side-board ) থবলৈ ধৰিলে, ঘৰৰ জীয়ৰী সকলৰ সহায়ত খোৱা মেজৰ পৰা মোটা কাপোৰ সলাই বগা ফটফটীয়া চাদৰ পাৰিলে। তাৰ পাছত ঠায়ে ঠায়ে প্লেট, গিলাচ, কাঁটা, চনবোৰ নিয়মিতৰূপে সজাবলৈ ধৰিলে। তেওঁলোকে শেহ খোৱাটোত মাংস নেখাইছিল বুলিলেই হয়। ৰুটী, মাখন, পনিৰ, কোকো, বিস্কুট এনেবোৰ বস্তু আনি টেবিলত খোৱাত আমি আটায়ে টেবিলৰ চাৰিউ ফালে বহিলোঁ। মই লাহে লাহে খাবলৈ ধৰিলোঁ। তেওঁলোকে নানা কথা কবলৈ ধৰিলে। মোকো বহুত কথা শুধিলে। মই যথোচিত উত্তৰ দিলোঁ—ইংৰাজী কোৱাত একো কষ্ট নাপাইছিলোঁ কিন্তু তেওঁলোকে খৰকৈ কথা কৈ যোৱাত বুজাতহে অলপ কষ্ট পাইছিলোঁ। কিন্তু সেই দিনা এটা বৰ ভুল কৰিলোঁ। ইমান দিন হৈ গৈছে সেইদেখি কবলৈ একো লাজো নেপাঁও আৰু কোৱাটো উচিতো মনত কৰোঁ—যাতে আন মানুহে আকৌ তেনে ভুল নকৰে। মোৰ কাষতে ৰুটীৰ থালখন আছিল। কুমাৰী স্পীয়েৰ্চৰ এজনে মোক কলে "would you mind passing me the bread please" মই আগতে ৰুটী দেখি হাতেৰেই এডোখৰ ৰুটী দিলোঁ। কিন্তু এইটো নিয়মবিৰুদ্ধ। কিন্তু দিয়েই মোৰ মনত হল কে কামটো বেয়া হ'ল। তেওঁলোকে অৱশ্যে একো কোৱা নাছিল। যি দেশৰ যি ৰীতি সেই ৰীতি



অনুসৰণ কৰি চলা উচিত। মোৰ ৰুটীডোখৰ হয় এডাল কাঁটা কি মেজৰ ছুৰিৰে আগ বঢ়াই দিয়া ভাল আছিল বা গোটেই থালখনৰে সৈতে আগ বঢ়াই দিয়া ভাল আছিল। মই এটা কথা এই খিনিতে কৈ থওঁ, কিয়নো বহুতে মোক এই বিষয়ে সুধিছে "টেবিলত খোৱা নিয়ম নো কি? কাঁটা চনেই বা কেনেকৈ ধৰিব লাগে?" তাৰ উত্তৰ হৈছে সেই টেবিলত আন আন মানুহে কি কৰে তাক চাবা। নিজৰ বুদ্ধি আৰু প্ৰত্যুৎপন্নমতিৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰিবা কেতিয়াও ভুল নহয়। প্ৰথম কেদিনমান বেয়া লাগিব হয় সঁচা কিন্তু সাত অঁাঠ দিন মানৰ পাছত একেবাৰেই অভ্যাস হৈ যাব। ইংৰাজবিলাকৰ যি ৰীতি আমাৰ সেই ৰীতি নহয় বুলি ইংলণ্ডীয়সকলে জানে দেখি আমি কিবা ভুল কৰিলে একো দোষ যেন নেদেখে। এই সম্পৰ্কে এটি গপ, কঁও—ই সঁচানে মিছা কব নোৱাৰোঁ, মিছা নহব হ'বলা। প্ৰাচ্য দেশৰ কোনো এজন ৰজা এবাৰ ইংলণ্ডৰ এজন মহা সম্ভ্ৰান্ত মানুহৰ ঘৰলৈ নিমন্ত্ৰিত হৈছিল। ৰাতিৰ আহাৰৰ এটি উপকৰণ হৈছে স্যূপ (চুৰুহা)। এখাল স্যূপ আগত দিওঁতে সেই ৰজাজনে হাতেৰে থালখন ডাঙি লৈ স্যূপ ( soup ) খিনি পি খালে। ৰজাজনে তেনে কৰা দেখি সেই ঘৰৰ গিৰীহঁতকে আদি কৰি টেবিলৰ চাৰিউফালে বহা সকলোটি মানুহে থাল ডাঙি স্যূপ নি খালে। সেই বস্তুটি এখন ডাঙৰ চনেৰে একো শবদ নকৰি খোৱাটোহে নিয়ম। ৰজাজন যাতে অপ্ৰস্তুত নহয় সেই কাৰণে আনসকলেও সেই তেনে কৰিছিল। আগৰ দিনৰ ইংৰাজ সকলে আহি এই দেশৰ ৰীতিকেই বেছি অনুসৰণ কৰিছিল। মোৰ সেই ভুলৰ কাৰণটি হৈছে মই লাজ কৰি কাৰো পিনে তিমানকৈ চোৱা নাছিলোঁ। চাৰিউফালে চকু ফুৰাই খোৱা হলে সেই ভুল কেতিয়াও নহ'ল হয়। বিলাততো, ইয়াতো, আমাৰ এই পৃথিবীখনৰ সকলো ঠাইতে ইংৰাজীত যাক "কমন চেন্স" কয় তাক লাগে—ইয়াৰ লগত ভদ্ৰতাৰো দৰ্কাৰ। ভদ্ৰতা সকলো ঠাইৰে একে ৰকমৰ—দেশভেদে অলপ তাৰতম্য হয় মাথোন্।

খোৱা হৈ যোৱাৰ পাছত সেই লিগিৰীজনী আহি বাচন্-বৰ্তনবোৰ লৈ গল। এখন বুৰুজেৰে টেবিলৰ চাদৰত পৰা বস্তবোৰ সাৰি এখন থালত লৈ গ'ল। খোৱাবোৱা সম্পৰ্কীয় সকলো বস্তুৰে কিছু তলৰ বান্ধনী-ঘৰলৈ গ'ল আৰু কিছু সেই মেজ-আলমাৰীত থোৱা হ'ল। নানা ৰকম কথা বাৰ্ত্তা হবলৈ ধৰিলে।

পাছত লাহে লাহে এটি এটিকৈ "Good night Pa dear" "Goodnight Ma dear" বুলি বাপেক মাকক চুমা খাই আৰু চুমা লৈ ছোৱালী কেজনী আৰু লৰাটি শুবলৈ গল। ময়ো সেই সুযোগতে অলপ পাছত good night বুলি শুবলৈ গলোঁ।

তাৰ পাছ দিনা ৰাতিপুৱা ৭॥০ মানত উঠিলোঁ। দেখোঁৱেও মিঃ স্পীয়েৰ্চ সকলোটি গোটপাতত থিয় হৈ Our father Thou art in Heaven" ইত্যাদি কৈ ভগবানৰ নাম লোৱাৰ পাছত হে খোৱা আৰম্ভ হল। মিসেচ স্পীয়েৰ্চ সেই ৰাতিপুৱাৰ খোৱালৈ শোৱাঘৰৰপৰা নামি অহা নাছিল—আৰু তাৰ পাছতো তেওঁক সেই খোৱাত দেখা নাই। তেওঁলোকে পুৱা আঁঠ বজাত লঘোন্ ভাঙ্গিছিল। আশা কৰোঁ এই কথা "লঘোন্ ভঙ্গা' ব্যবহাৰ দুষ্ট হোৱা নাই। ৭ কি ৭॥০ বজা প্ৰথম ঘণ্টা বাজিছিল অৰ্থাৎ সাৰ পোৱাৰৰ ঘণ্টা আৰু ৮ বজাত খাবৰ ঘণ্টা। লিগিৰীজনীয়েই এই প্ৰথম ঘণ্টা বজাইছিল। তাৰ লগে লগে ছোৱালীইতো উঠি কামত হাত দি কাম আগুৱাইছিল। তেওঁলোকৰ তাত তেতিয়া মাথোন্ এজন লিগিৰী। কেতিয়াবা কেতিয়াবা দুজনো থাকিছিল। লঘোন্-ভঙ্গা আহাৰৰ সময়ত তেওঁলোকে কফি খাইছিল। খোৱাৰ পাছে পাছ-ফলৰ তেওঁলোকৰ বাৰীলৈ গলোঁ। তাত বহুতো ফল-মূল শস্য আছিল। ফলৰ ভিতৰত apple-এই বেছি। তেওঁলোকে হাঁহ ইত্যাদি পুহিছিল। বাৰীখনি বেছ বড়িয়া। লণ্ডনত এনে বাৰী বিৰল। লণ্ডনৰ উপনগৰবিলাকত হে কেতিয়াবা এনে দেখা যায়। আজিকালি লণ্ডন বাঢ়িবই লাগিছে—লণ্ডন বাঢ়িছে মানুহ বাঢ়িছে দেখি। তাৰ লগে লগে এনে বাৰী থকা ঘৰৰ সংখ্যাও তাকৰ হৈছে। দুশ তিনিশ চাৰিশ টকা মাহে পোৱা মানুহে ব্ৰিটেনত যিমান সুবিধা কৰি সকলো ৰকমে ভালকৈ থাকিব পাৰিব ইয়াত তেনে সুকলমে সুযোগে পৰিপাটিৰূপে নোৱাৰিব। এই কথাত হয় তো বহুতে আচৰিত মানিব কিন্তু ই সঁচা। ইয়াৰ অৰ্থ আছে, পাছত কোৱা যাব। আজি তেনেহলে আৰু ইমানতে।

---



# ৰামদাস বাবু আৰু ৰুক্মিণী বাবু।

পৃথিবীত যদি কোনো বস্তু নিশ্চিত আছে সেইটি মৃত্যু। উপজিলেই মৃত্যু নিশ্চিত। আমি সকৰেপৰা এই কথা শুনি আহিছোঁ আৰু বয়সৰ লগে লগে দেখিও আহিছোঁ। এই পৃথিবীব্যাপী মহাকুৰুক্ষেত্ৰত সেই কথা আৰু সুন্দৰৰূপে জানিব পাৰিছোঁ। সকলো সময়তে সকলো ভাষাতে কবিসকলে মৃত্যুৰ নিশ্চিয়ত্ব সম্বন্ধে লেখনী ধৰিছে। এইবোৰ জ্ঞানীজনৰ কথা শুনিও নিজৰ চকুৰে নানা দেশত নানা সময়ত মৃত্যুৰ কথা পঢ়িও যেতিয়া আমি শুনো যে আমাৰ চিনাকী বন্ধু কি আত্মীয় কুটুম্ব পৰলোকলৈ গমন কৰিছে তেতিয়া আমাৰ স্বোপাৰ্জ্জিত দাৰ্শনিক জ্ঞানেও আমাৰ শোক সম্বৰণ কৰাব নোৱাৰে।

অলপতে গুৱাহাটীত এমাহ নৌ যাওঁতেই দুজন স্বনামখ্যাত মানুহ পৰলোকলৈ গল। এজন এই চহৰৰ বুঢ়া উকীল শ্ৰীযুত ৰামদাস ব্ৰহ্ম আৰু এজন কমিশ্যনৰৰ পাৰ্ষনেল এসিষ্টাণ্ট শ্ৰীযুত ৰুক্মিণীকান্ত চক্ৰবৰ্ত্তী বি-এ। দুইয়ো একে যোগতে এই শৰীৰ ত্যাগ কৰে।

ৰামদাস বাবুৱে ইয়াত পঁইত্ৰিচ বছৰ ব্যৱহাৰজীবি হৈ খ্যাতিৰে কাম কৰিছিল। তেওঁ দুখীজনৰ বন্ধু আছিল। কোনো দুখীয়া মানুহে কান্দিকাটি আহি পৰিলে সেই মকৰ্দ্দমা তেওঁ নলৈ নোৱাৰিছিল। সকলো সময়তে তেওঁ প্ৰফুল্ল চিত্তেৰে থাকি লগৰ মানুহক সদাই প্ৰফুল্ল ৰাখিছিল। তেওঁ বৰ ভাল কথকী আছিল— অৰ্থাৎ ইউৰুপীয় ভাষাত যাক raconteur কয়। তেওঁ সদাই সময়োপযোগী আলাপ কৰিব পাৰিছিল। তেওঁক এজন Walking Encyclopœdia বুলিলেও ক্ষতি নাছিল। এদিন লেখকৰ আগতে "ঘৰিয়াল" সম্বন্ধে কথা হৈছিল—তেতিয়াই তেওঁ ইংৰাজী শব্দ alligator ( য়্যালিগেটৰ ) কেনেকৈ উৎপত্তি হ'ল তৎক্ষণাৎ কলে। তেওঁ কাৰ্জন হলৰ সকলো পঢ়িব লগীয়া কিতাপকে পঢ়িছিল অৰ্থাৎ বোধ কৰোঁ তেওঁ যিবিলাক কিতাপ নপঢ়িছিল সেই ধৰণৰ কিতাপ পঢ়ি সময় অপব্যয় কৰাও উচিত নহয়। তেওঁৰ বয়স প্ৰায় সত্তৰ বছৰ হৈছিল। সেহ ৰক্ষাৰ দিনলৈকে তেওঁ সকলো দৈনিক কামকে কৰিছিল। এনে এজন চিৰপ্ৰফুল্ল বন্ধু হৰবাই গুৱাহাটী সঁচাকৈয়ে বিষাদত পৰিছে।

শ্ৰীযুত ৰুক্মিণী বাবুৱে অতি কোমল বয়সতে প্ৰাণত্যাগ কৰিলে। তেওঁৰ মাথোন ৩৭ বছৰ হৈছিল—এই আধ বয়স নৌ পাওঁতেই নিষ্ঠুৰ মৃত্যুয়ে আহি

তেওঁৰ বন্ধু বান্ধৱ আত্মীয় স্বজনক কান্দুৱাই এই কৰ্ম্মভূমি পৃথিৱীৰপৰা নিৰ্দ্দয় ৰূপে তেওঁক টানি লৈ গ'ল। এই পৃথিৱী সঁচাকৈয়ে তেওঁৰ কৰ্ম্মভূমি আছিল। মৃত্যুৰ দিনলৈকে কামত তেওঁ ব্যস্ত। ৰামদাস বাবু আৰু ৰুক্মিণী বাবু এই দুয়োজনৰ সম্বন্ধে ইংৰাজী "dying in harness" কথাটি প্ৰয়োগ কৰিব পাৰি। ৰুক্মিণীবাবুৰ ঘৰ গুৱালপাৰ জিলাৰ বিলাসিপাৰাত। তেওঁ অসমীয়া সুন্দৰৰূপে কব পাৰিছিল। গুৱালপাৰৰ মানুহসকলে বঙ্গলা কবলৈ ভাল পায়—ৰুক্মিণীবাবুৱে যে বঙ্গলা নাজানিছিল সি নহয়, তেওঁ বঙ্গলা সুন্দৰৰূপে জানিছিল। স্বৰ্গীয় প্ৰসন্নকুমাৰ ঘোষৰ দৰে তেওঁ বুজিছিল যে গুৱালপাৰৰ ভাষা অসমীয়াহে হোৱা উচিত। আৰু তেওঁ যে কেৱল কথা কৈয়ে সাৰিছিল এনে নহয় তেওঁৰ জ্যেষ্ঠা কন্যাক কামৰূপৰ এটি কৃতবিদ্য ডেকাৰে সৈতে বিয়া দিছিল। ভগবানৰ কি ইচ্ছা—যি বেমাৰত তেওঁৰ মৃত্যু হ'ল সেই বেমাৰ হোৱাৰ আগ দিনা জীয়েকৰ শান্তি বিয়া তেওঁ দিছিল। তেওঁ ৰাতিপুৱা গধূলি ফুৰোঁতে বাটত সকলোৰে সৈতে সমভাৱে কথা কৈছিল। তেওঁ অতি সাধাৰণ মানুহৰে সৈতেও সমভাৱে কথা কৈছিল। তেওঁৰ অহঙ্কাৰ নাছিল। সঙ্গীত বিদ্যাত তেওঁৰ বেছ অধিকাৰ আছিল। কলেজ এৰাৰ পাছতেই তেওঁ প্ৰাতঃস্মৰণীয় গুৰুদাস বন্দোপাধ্যায় ডাঙৰীয়াৰ নাৰিকল ডাঙ্গাৰ ইস্কুলত কিছু দিন হেডমাষ্টাৰী কৰিছিল। তাৰ পাছত আসামলৈ আহিয়েইকি তেওঁ স্তবডিপুটী কলেক্টৰৰ পদ এটি পালে। ১৯০৫ চনৰপৰা ১৯১১ চনলৈকে সেই কাম সুকলমে কৰি তেওঁ একষ্ট্ৰা এচিষ্টাণ্টৰ পদৰ নিমিত্তে নিৰ্ব্বাচিত হৈ গুৱাহাটীত সেই পদ পালে। ডেড় বছৰ মান ন্যায়ৰূপে হাকিমি কৰি আসাম ভেলীৰ কমিশ্বনৰ চাহাবৰ পাৰ্চ্চনেল এচিষ্টাণ্টৰ পদ পালে। কমিশ্বনৰ আফিচৰ সকলোৱে তেওঁক ভাল পাইছিল। তেওঁ কেতিয়াও কাৰো প্ৰতি ৰূঢ় ব্যৱহাৰ নকৰিছিল।

শ্ৰীযুত ৰামদাস বাবু কি ৰুক্মিণীৰ বাবুৰ জীৱনী স্বৰূপে আমি এই কেফাকি লেখা নাই। তেওঁলোক দুজনক হেৰুৱাই আমি যে দুখিত হৈছোঁ তাৰে স্মাৰক ৰূপেহে এই কেফাকি লেখিলোঁ।

কৰুণাময় পৰমেশ্বৰে তেওঁলোকৰ আত্মাৰ সদ্গতি কৰোক আৰু শোক সন্তপ্ত পৰিয়ালক এই শোক বহন কৰিবলৈ শক্তি দিয়ক তেওঁৰ ওচৰত আমাৰ এই প্ৰাৰ্থনা। এজন গুৱাহটীয়া।